সূৰ্য দাসলৈ বাহু কৈৱৰ্ত বঁটা
ই-সংবাদ, কামপুৰ, ৩ নৱেম্বৰঃ ঐতিহাসিক কৃষক বিদ্ৰোহ 'ফুলগুৰি ধেৱা'ৰ অন্যতম ৩ পৃষ্ঠাত চাওক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, NOVEMBER 04, 2024 ■ সোমবাৰ, ১৮ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩০১ Guwahati, Assam ।। মূল্যঃ এটকা

## প্ৰতিমাহে ২১৪ কোটিৰ জালিয়াতি, তদন্তত নামিল ইডি

# হংকং, লাওছৰ পৰা চলে 'ডিজিটেল এৰেষ্ট'

**নতুন দিল্লী, ৩ নৱেম্বৰঃ** চাইবাৰ জালিয়াতিৰ নতুন পদ্ধতি 'ডিজিটেল এৰেষ্ট'ক লৈ উদ্বিগ্ন হৈ পৰিছে কেন্দ্ৰ। চৰকাৰৰ তথ্য অনুসৰি যোৱা দহ মাহত (জানুৱাৰী-অক্টোবৰ) প্ৰৱঞ্চকে সহস্ৰাধিক লোকক 'ডিজিটেল এৰেষ্ট'ৰ জালত আৱদ্ধ কৰি প্ৰায় ২ হাজাৰ শেষাংশ ৫ পৃষ্ঠাত


মানুহ দেখিছো আজি... সূৰ্য দাসক গৰুগাড়ীৰে আদৰণি

## গছ কটাৰ বিৰুদ্ধে আদালতৰ দ্বাৰস্থ দেৱব্ৰত

**ই-সংবাদ, ৩ নৱেম্বৰঃ** পল্টনবজাৰ ৰে'লৱে ষ্টেচনৰ পৰা গুৱাহাটী ক্লাৱ হৈ নুনমাটিলৈ নিৰ্মাণৰত উৰণীয়া সেঁতুখনৰ নিৰ্মাণ স্থগিত কৰাৰ দাবীত অৱশেষত ন্যায়ালয়ৰ কাষ চাপিল কংগ্ৰেছ। অসম প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা শেষাংশ ২ পৃষ্ঠাত

## কাশ্মীৰত গ্ৰেনেড আক্ৰমণ, ১২ আহত

**শ্ৰীনগৰ, ৩ নৱেম্বৰঃ** জম্মু-কাশ্মীৰৰ ৰাজধানী শ্ৰীনগৰত দেওবাৰে সংঘটিত হয় এক ভয়াৱহ সন্ত্ৰাসবাদী আক্ৰমণ। সন্ত্ৰাসবাদীৰ এখন দেওববীয়া বজাৰত গ্ৰেনেড নিক্ষেপ শেষাংশ ৪ পৃষ্ঠাত

## বিহালীত বিজেপিৰ কাঠৰ ছিণ্ডিকেট!

**ই-সংবাদ, বিশ্বনাথ, ৩ নৱেম্বৰঃ** বিহালীৰ উপ-নিৰ্বাচনত প্ৰচাৰ অব্যাহত থকাৰ সময়তে বিজেপিয়ে বিহালী সমষ্টিত কাঠৰ শেষাংশ ৩ পৃষ্ঠাত


## জালত পৰিল জিয়াৰুল

## মৰিগাঁৱৰ পলাতক কয়দী পালে অন্ধ্ৰ

**ই-সংবাদ, মৰিগাঁও, ৩ নৱেম্বৰঃ** মৰিগাঁও জিলা কাৰাগাৰৰ পৰা যোৱা ১১ অক্টোবৰৰ মাজনিশা ২০ ফুট ওখ দেৱাল বগাই শেষাংশ ৩ পৃষ্ঠাত

## ২০০০ হ'ল ২০০! আকৌ জুবিন বিতৰ্ক

**ই-সংবাদ, ৩ নৱেম্বৰঃ** পল্টনবজাৰ ৰে'লৱে ষ্টেচন-গুৱাহাটী ক্লাৱ-নুনমাটি পথত নিৰ্মাণৰত উৰণীয়া সেঁতুখনৰ নিৰ্মাণৰ নামত গুৱাহাটীৰ



ঐতিহাসিক দীঘলীপুখুৰীপাৰৰ গছসমূহ কাটিব খোজা সিদ্ধান্তৰ বিৰুদ্ধে গুৱাহাটীৰ নাগৰিকে প্ৰতিবাদ অব্যাহত ৰাখিছে। দিনে-নিশাই গুৱাহাটীৰ নাগৰিকে অব্যাহত ৰখা প্ৰতিবাদস্থলীত শনিবাৰে নিশা উপস্থিত হয় কণ্ঠশিল্পী জুবিন গাৰ্গ। সহধৰ্মিণী গৰিমা শইকীয়া শেষাংশ ২ পৃষ্ঠাত

## ধলাইত সৰৱ ভূপেন বৰা

## বিজেপিৰ নিহাৰ বাংলাদেশী! হিমন্তৰ পৰা লাগে উত্তৰ



**গুৱাহাটী, ৩ নৱেম্বৰঃ** বিজেপিয়ে ধলাই সমষ্টিত বাংলাদেশীক প্ৰাৰ্থিত্ব দিছে কিয়? এই কথা অসমৰ মুখ্যমন্ত্ৰীয়ে শীঘ্ৰে অসমৰ ৰাইজৰ ওচৰত শেষাংশ ২ পৃষ্ঠাত

## ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আৰম্ভ ভাষা গৌৰৱ সপ্তাহ

**ই-সংবাদ, ৩ নৱেম্বৰঃ** অসমীয়াক ভাষাক ঐতিহাসিক ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়াত উৎসাহী হৈ পৰা অসম চৰকাৰে আজিৰে পৰা ৯ নৱেম্বৰলৈ 'ভাষা গৌৰৱ সপ্তাহ' পালন কৰিছে। আজি ৰাজ্যৰ ৰাজধানী গুৱাহাটী মহানগৰীৰ শেষাংশ ৪ পৃষ্ঠাত

## দুটা দুখজনক খবৰ

**ই-সংবাদ, ৩ নৱেম্বৰঃ** পুনৰ সংঘটিত হৈছে অসমৰ সৈতে সম্পৰ্কিত দুটা দুখজনক ঘটনা। দেওবাৰে চুবুৰীয়া ৰাজ্য মেঘালয়ত ফুৰিবলৈ গৈ প্ৰাণ হেৰুৱাই অসমৰ যুৱক-যুৱতীয়ে। ৩ পৃষ্ঠাত চাওক

## বিজেপিক ভোট দিবলৈ কৈ ঝাৰখণ্ডত অমিত শ্বাহৰ দাবী

# অসমত বন্ধ হৈছে অবৈধ অনুপ্ৰৱেশ!

**ই-সংবাদ, ৩ নৱেম্বৰঃ** নাগৰিকত্ব আইন সংশোধন কৰি ২০১৪ চনৰ ৩১ ডিচেম্বৰৰ আগলৈকে অসমত অবৈধভাৱে প্ৰৱেশ কৰা অনুপ্ৰৱেশকাৰীসকলক নাগৰিকত্ব




পোৱাৰ বাট মুকলি কৰি দিছে বিজেপিয়ে। কিন্তু এই বিজেপিৰ দলৰ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমত শেষাংশ ৪ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# গছ কটাৰ বিৰুদ্ধে আদালতৰ দ্বাৰস্থ

বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই এখন আবেদন দাখিল কৰি উৰণীয়া সেঁতুৰ নিৰ্মাণ স্থগিত কৰিবলৈ আদালতৰ হস্তক্ষেপ কামনা কৰিছে। গুৱাহাটীবাসীয়ে উৰণীয়া সেঁতু নিৰ্মাণৰ নামত গছ কাটি প্ৰাকৃতিক পৰিৱেশ ধ্বংস কৰিব খোজাৰ অভিযোগ উত্থাপন কৰি প্ৰতিবাদ সাব্যস্ত কৰি থকাৰ মাজতে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয় দেৱব্ৰত শইকীয়া। বিশেষকৈ দীঘলীপুখুৰীপাৰৰ গছ কাটিব খোজা কাৰ্যক বিৰোধ কৰি গুৱাহাটীৰ নাগৰিক সমাজে প্ৰতিবাদ কৰি গৈছে। সেই সময়তে ৰাজ্যৰ মুখ্য বিৰোধী দল কংগ্ৰেছে ন্যায়ালয়ৰ দ্বাৰস্থ হয়। দীঘলীপুখুৰী-নুনমাটি সংযোগী উৰণীয়া সেঁতুৰ নিৰ্মাণৰ ফলত বাবে গুৱাহাটীৰ পৰিৱেশত বিৰূপ প্ৰভাৱ পেলোৱাৰ লগতে প্ৰদূষণ বৃদ্ধি পোৱাৰ অভিযোগ আনিছে শইকীয়াই। বিৰোধী দলপতি শইকীয়াই কয় যে চলিত বৰ্ষৰ ১ জানুৱাৰীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সেঁতুখনৰ আধাৰশিলা স্থাপন কৰিছিল। ৫.৪৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ সেঁতুখন নিৰ্মাণত ৮৫২ কোটি টকা ধাৰ্য কৰা হৈছে। নিৰ্মাণৰ ফলত পথটোৰ সৈতে সংলগ্ন অঞ্চল প্ৰদূষিত হোৱাৰ লগতে কৃত্ৰিম বান, যান-জঁটৰ সমস্যাত পৰিছে। পদপথৰ ব্যৱসায়ীসকলৰ জটিল সমস্যা হোৱা বুলিও কয়। শইকীয়াই মুখ্যত নিৰ্মাণ কাৰ্যৰ ফলত গুৱাহাটী মহানগৰী বায়ু প্ৰদূষণৰ কৱলত পৰা বুলি দাবী কৰিছে। সেঁতু নিৰ্মাণৰ পাছতে ২০২৩ চনৰ বিশ্ব বায়ুৰ গুণগত মানদণ্ড প্ৰতিবেদনত দ্বিতীয় সৰ্বাধিক প্ৰদূষিত চহৰৰ তালিকাত স্থান দিয়া হৈছে গুৱাহাটীক। তথ্য উল্লেখ কৰি ২০২২ চনৰ পৰা ২০২৩ চনৰ ভিতৰত প্ৰতি ঘন মিটাৰত পিএম ২.৫ৰ ঘনত্ব ৫১ৰ পৰা ১০৫.৪ মাইক্ৰ গ্ৰামলৈ বৃদ্ধি পোৱা বুলি দাবী কৰা হৈছে। কংগ্ৰেছ নেতাগৰাকীয়ে দাবী কৰা মতে সেঁতু নিৰ্মাণ কৰি পৰিৱেশ সুৰক্ষা আইন ১৯৮৬, বায়ু প্ৰদূষণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ আইন ১৯৮১, শব্দ প্ৰদূষণ নিয়ন্ত্ৰণ আৰু নিয়ন্ত্ৰণ নিয়ম ২০০০, পদপথ বিক্ৰেতা আইন ২০১৪ ভংগ কৰিছে। পৰিৱেশ সুৰক্ষাক উলংঘা, বায়ু প্ৰদূষণ, শব্দ প্ৰদূষণ আৰু পদপথৰ ব্যৱসায়ীসহ বহু মানুহৰ জীৱন ধাৰণত সংকট সৃষ্টি কৰিছে। যাৰ বাবে শীঘ্ৰে সেঁতুখনৰ নিৰ্মাণ কাৰ্যত স্থগিতাদেশ জাৰি কৰাৰ আহ্বান জনাই উচ্চ ন্যায়ালত আৰ্জি দিছে দেৱব্ৰত শইকীয়াই। এই আদালতত কি হয় সেয়া লক্ষণীয় হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিৰ নিহাৰ বাংলাদেশী! হিমন্তৰ

স্থিতি স্পষ্ট কৰক। ধলাই সমষ্ঠিত নিৰ্বাচনী প্ৰচাৰ চলাই থকাৰ সময়তে আজি অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন বৰাই এক বিস্ফোৰক অভিযোগ উত্থাপন কৰি কয় যে বিজেপিয়ে অসমত এতিয়া বাংলাদেশী বহিৰাগত প্ৰাৰ্থিত্ব দিবলগীয়া হৈছে। বাংলাদেশীক খেদিবৰ বাবে অসমত ৬ বছৰকৈ আন্দোলন হৈছিল আৰু ৮৫৫জন লোক শ্বহীদ হৈছিল। অসম চুক্তিৰ পিছত শেহতীয়াকৈ উচ্চতম ন্যায়ালয়েও স্পষ্ট নিৰ্দেশনা দিছে ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিছত অহা লোকক বিদেশী গণ্য কৰা হ'ব আৰু ভিত্তি বছৰ নিৰ্দিষ্ট থকা চন-তাৰিখৰ পিছত অহা কোনো লোকক ভাৰতীয় নাগৰিকত্ব দিয়া নহ'ব। বিজেপিৰ জ্যেষ্ঠ নেতা অমিয়কান্তি দাস কাছাৰ জিলা বিজেপিৰ উপ-সভাপতি আৰু ধলাই সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থিত্বপ্ৰত্যাশী আছিল। এইজন নেতা মুখ্যমন্ত্ৰীৰ অতি ঘনিষ্ঠ আৰু প্ৰায়ে টেলিফোনত বাৰ্তালাপ কৰি থাকে। এনে এজন বিজেপিত গুৰুত্বপূৰ্ণ পদবীত থকা লোকে অভিযোগ কৰিছে যে নিহাৰৰঞ্জন দাসক বাংলাদেশী বুলি ৰাজহুৱাকৈ ঘোষণা কৰিছে। কি পৰিস্থিতিত অসম চুক্তিক পুনৰ ভৰিৰে মোহাৰি এজন বাংলাদেশী লোকক ধলাই সমষ্টিত বিজেপিয়ে প্ৰাৰ্থিত্ব প্ৰদান কৰিলে সেই কথআ অসমৰ ৰাইজক নজনোৱাকৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ধলাই সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহিব নোৱাৰে। নিহাৰৰ বিৰুদ্ধে উত্থাপিত অভিযোগ সন্দৰ্ভত মুখ্যমন্ত্ৰীক অসমৰ ৰাইজৰ আগত স্থিতি স্পষ্ট কৰিবলৈ ভূপেন বৰাই আহ্বান জনাইছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ২০০০ হ'ল ২০০! আকৌ জুবিন বিতৰ্ক

গাৰ্গৰ সৈতে জুবিন গাৰ্গে প্ৰতিবাদস্থ লীত উপস্থিত থাকি দীৰ্ঘ সময় প্ৰতিবাদকাৰীৰ সৈতে অতিবাহিত কৰে। জুবিন গাৰ্গে প্ৰতিবাদকাৰীৰ সৈতে গীত গোৱা পৰিলক্ষিত হয়। প্ৰতিবাদস্থলীৰ পৰাই গাৰ্গে ৰাজ্য চৰকাৰে দীঘলীপুখুৰীপাৰ ধ্বংস কৰিব খোজা সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰে। জুবিন গাৰ্গে মই মুখখন খুলিলে বৰ বেয়া বুলি উল্লেখ কৰে। জুবিন গাৰ্গে প্ৰতিবাদস্থলীলৈ গৈছিল বৃক্ষ ৰক্ষা আন্দোলন কৰিবলৈ। কিন্তু অসমীয়া ভাষাক লৈ কৰা এক বিতৰ্কিত মন্তব্যক লৈ সংবাদমাধ্যম আৰু সামাজিক মাধ্যম উত্তাল হৈ পৰে। তেওঁ কয় "অসমীয়া ভাষাৰ দুশ বছৰ হোৱাই নাই' বুলি কৈ অসমীয়া ভাষাটোক অপমান কৰে। ধ্ৰুপদী ভাষা অকল সংস্কৃত। ভাৰতত বাকী কোনো ধ্ৰুপদী ভাষা নহয়, সেইবোৰ এতিয়া ঘোষণা কৰিলে নহ'ব। অসমীয়া ভাষাৰ ২০০ বছৰো হোৱা নাই। এতিয়া ধ্ৰুপদী ভাষা বুলি কৈছে, তেনেকৈ দিলে নহ'ব নহয়। এইটো বহুত পিছত অহা ভাষা। ধ্ৰুপদী ভাষা কেইটামান আছে পালি, প্ৰাকৃত আৰু সংস্কৃত।" একাংশ লোকে 'কা' আন্দোলন ৰাজপথৰ পৰা ফিল্ডলৈ নিয়াৰ দৰে এইবাৰো বৃক্ষৰক্ষা আন্দোলনক ভাষা বিতৰ্ক কৰি অন্য দিশে ঢাল খুৱাব খোজা বুলি অভিযোগ উত্থাপন কৰিছে। সামাজিক মাধ্যমত এনে অভিযোগ উত্থাপন হ'লেও জুবিন গাৰ্গে ৰাজ্য চৰকাৰৰ গছ কটা সিদ্ধান্তক তীব্ৰ সমালোচনা কৰিছে। দীঘলীপুখুৰীটো পুতি দিয়াৰ দাবী উত্থাপন কৰি গাৰ্গে কয় যে চৰকাৰে এটা কাম কৰক। দীঘলীপুখুৰীটো বন্ধ কৰি দিয়ক। পুখুৰীটো পুতি দিয়ক। গছখিনি কাটি দিয়ক। তাত ৫ খনমান ফ্লাই অভাৰ বনাই দিয়ক। এয়াই কৰক। গছখিনি যদি কাটি দিয়ে তেন্তে সেই সৌন্দৰ্য্যটো ঘূৰাই পাবনে? নাপায়। কথাটো হ'ল আমি এইটো বিচৰা নাই। এয়া নকৰিব। কংগ্ৰেছ-বিজেপি কাকো কেয়াৰ নকৰো বুলি উল্লেখ কৰি কয় যে বিজেপি চৰকাৰ হওক বা কংগ্ৰেছ হওক মই কেয়াৰ নকৰো। কথাটো হ'ল আমি এইটো বিচৰা নাই সেইটো নকৰিব। যি মন যায় তাকেই কৰি থাকিলে নহ'ব নহয়। যিয়ে চিএম নহওক। যিয়ে পি.এম নহওক। মই সদায়েই আছো। মই গছ ৰক্ষাৰ কাৰণে আছো। আমি গছ ৰুই আছো। ফেন ক্লাৱে বছৰি ৫ হাজাৰ গছ ৰোপণ কৰি আহিছে। চৰকাৰে নোৱাৰে। মই প্ৰত্যাহ্বান জনাইছো। মোৰ লগত আহক। প্ৰতিবাদস্থলীত বিপ্লৱ কৰিম বুলি দাবী কৰি অসমৰ জনপ্ৰিয় কণ্ঠশিল্পীগৰাকীয়ে কয় যে আমি বিপ্লৱ কৰিম। অমৃত বৃক্ষ আঁচনিক লৈ প্ৰশ্ন কৰি জুবিন গাৰ্গে কয় যে আঁচনি যোগে ৰোপণ কৰা গছবোৰ কোনে চাব। য'ত গছ লাগে তাতে কাটি আছে। য'ত নালাগে তাত ৰুই আছে। মই মুখখন মেলিলে বৰ বেয়া। তেনে নকৰিব। আমি ভিক্ষাৰী নহয়। আমাৰ মাটি, প্ৰকৃতি, পাহাৰ, নদী সকলো কথা বুলি কৈ গাৰ্গে আৰু কয় যে আমাৰ সকলো আছে। মোৰ সৈতে কথা পাতক বুলি উল্লেখ কৰি গাৰ্গে কয় মই প্ৰতিবাদ নকৰো। মই কথা কও। মোৰ কথা শুনিব লাগিব। যদি নুশুনে মই জেং কৰিম। মই প্ৰতিবাদত নাহো, প্ৰতিবাদত নবহো। মই যেতিয়া ওলাই যাও তেতিয়া মন্ত্ৰী-বিধায়কতকৈ বেছি মানুহ হয়। চৰকাৰৰ বহু মানুহে ইংৰাজী নাজানো বুলি উল্লেখ কৰি হিমন্ত বিশ্ব শৰ্মাৰ টুইটৰ প্ৰসংগ উল্লেখ কৰে। চৰকাৰে বিকল্প ব্যৱস্থা কৰিব মুখ্যমন্ত্ৰীয়ে টুইট কৰা বুলি সাংবাদিকে উল্লেখ কৰাত জুবিন গাৰ্গে কয় যে নগাঁৱৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ সময়ত দুজোপা বকুল গছৰ বাবে মোৰ পিতৃয়ে প্ৰতিবাদ কৰি পথৰ নক্সা সলনি কৰিছে। ত্ৰিপুৰাৰ এক উদাহৰণ দি কয় যে আমি ইচ্ছা কৰিলে গছ ৰক্ষা কৰিব পাৰো। আমাৰৰ হাতত বিকল্প আছে। কাটি পেলালে নহ'ব। গছ নাথাকিলে দীঘলীপুখুৰীপাৰলৈ কোন আহিব। গছ নাথাকিলে ফ্লাই অভাৰত চৰাই আহিব নেকি? মোৰ ষ্টুডিঅ'ত পুৱাই কপৌ, শালিকা, কাউৰী, ঘনচিৰিকা আহে। ৰাতি বাদুলী আহে। ৩২ খন দেশ ঘূৰা বুলি দাবী কৰা গাৰ্গে বৈজ্ঞানিক দৃষ্টিভংগীৰে চৰকাৰক কাম কৰিবলৈ দাবী জনাইছে। ইফালে, জুবিনৰ একাংশ সমৰ্থকে ২০০০ বছৰ বুলি ক'বলৈ যাওতে শিল্পীগৰাকীৰ মুখেৰে ভুলকৈ ২০০ বছৰ ওলাই গ'ল বুলিও ক'ব খোজা দেখা গৈছে। অৱশ্যে এতিয়ালৈকে এই বিতৰ্ক সন্দৰ্ভত মুখ খোলা নাই শিল্পীগৰাকীয়ে। ফলত উক্ত মন্তব্যক লৈ ৰাজ্যজুৰি অব্যাহত আছে তীব্ৰ প্ৰতিক্ৰিয়া।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিহালীত বিজেপিৰ কাঠৰ ছিণ্ডিকেট!

চিণ্ডিকেট চলোৱাৰ অভিযোগ উত্থাপন কৰাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। এখন নিৰ্বাচনী সভাত ভাষণ দি বিজেপি চৰকাৰৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰি গগৈয়ে বিহালীৰ বনাঞ্চলত ব্যাপক গছ কটা বুলি অভিযোগ কৰে। যাৰ ফলত মানুহ-জন্তুৰ সংঘাত বৃদ্ধি পাইছে বুলি তেওঁ দাবী কৰে। বিজেপি চৰকাৰে কাঠৰ চিণ্ডিকেটক সমৰ্থন জনাই বনাঞ্চলত গছ কটাৰ ফলত মানুহ-জন্তুৰ সংঘৰ্ষ বাঢ়িছে। বন ধ্বংস কৰাৰ ফলত বাসস্থান হেৰুৱাই বিহালীত বনৰীয়া হাতীয়ে চাহ বাগিচাত আতংকৰ সৃষ্টি কৰা বুলিও গুৰুতৰ অভিযোগ আনে গগৈয়ে। বিজেপি চৰকাৰক জনবিৰোধী বুলি সমালোচনা কৰি পৰিৱেশ সংৰক্ষণৰ অভাৱ থকাৰ লগতে চৰকাৰে জনসাধাৰণৰ বাবে কাম কৰা নাই বুলি কয় গগৈয়ে। বিজেপিৰ নেতা, মন্ত্ৰীসকলে গছ কাটি, প্ৰাকৃতি ধ্বংস কৰি ৰিজৰ্ট আৰু বিদ্যালয় খুলিছে। কিন্তু উচ্ছেদৰ নামত দৰিদ্ৰ লোকসকলক লক্ষ্য কৰি লোৱা দেখা গৈছে। আদিবাসী সম্প্ৰদায়ৰ ভূমি বলপূৰ্বক দখল কৰি সেই ভূমিত চাহ বাগিচা খুলিছে। চৰকাৰী আঁচনিসমূহ নিৰ্দিষ্ট দলৰ সদস্যই লাভ কৰে। যদি কংগ্ৰেছ নিৰ্বাচিত হয় নিশ্চিত যে চৰকাৰী আঁচনিসমূহ সকলো নাগৰিকৰ বাবে উপলব্ধ হ'ব। ইপিনে বিহালীত গৌৰৰ গগৈয়ে কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাৰ হৈ মাৰাথান প্ৰচাৰৰ চলাই বিহালী সমষ্টিক কুৰুক্ষেত্ৰ বুলি কয়। ২৫ বছৰীয়া ৰাজত্বৰ অৱসান ঘটাবলৈ আহ্বান জনাই কুৰুক্ষেত্ৰ ৰণত পাণ্ডৱ বিহালীৰ ৰাইজ আৰু কৌৰৱ বিজেপি বুলি অভিহিত কৰিছে সাংসদ গগৈয়ে। কাৰণ বিজেপিত এজন লোকেই ৰাজত্ব চলাই আছে। ১৩ নৱেম্বৰত বিহালীৰ ৰাইজে নিজৰ ভোটৰ জৰিয়তে বিহালীত ৰাজত্ব চলাব। দিছপুৰত বহি থাকিলে বাস্তৱ শক্তিৰ উমান নাপাই, বাস্তৱ শক্তি ৰাইজৰ হাতৰ আঙুলিত আছে বুলিও কয় গগৈয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মৰিগাঁৱৰ পলাতক কয়দী পালে অন্ধ্ৰ

পলায়ন কৰা পাঁচ কয়দীৰ অন্যতম ২৩ বছৰীয়া জিয়াৰুল ইছলামক কালি বিয়লি অন্ধ্ৰপ্ৰদেশত মৰিগাঁও আৰক্ষীয়ে কৰায়ত্ত কৰে। মৰিগাঁও আৰক্ষীৰ উপ-পৰিদৰ্শক অনুপম বৰুৱাৰ নেতৃত্বত যোৱা মৰিগাঁও আৰক্ষীৰ এটা দলে অন্ধ্ৰপ্ৰদেশৰ তিৰুপতি জিলাৰ চুল্লুৰুপেটা থানাৰ অন্তৰ্গত এক গোপন স্থানত অন্ধ্ৰপ্ৰদেশ আৰক্ষীৰ সহযোগত যৌথ অভিযান চলাই জিয়াৰুলক কৰায়ত্ত কৰিবলৈ সক্ষম হয় বুলি মৰিগাঁও আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যই আজি সংবাদ মাধ্যমক জানিবলৈ দিছে। উল্লেখ্য যে ইয়াৰ পূৰ্বে মৰিগাঁও জিলা কাৰাগাৰৰ পৰা পলায়ন কৰা দুৰ্দ্ধৰ্ষ কয়দী আব্দুল ৰছিদৰ মৃতদেহ যোৱা ১৪ অক্টোবৰত লাহৰীঘাটৰ দেৱাগুৰি বিলত উদ্ধাৰ হোৱাৰ পিছত যোৱা ২৬ অক্টোবৰত মৰিগাঁও আৰক্ষীয়ে আনটো পলাতক কয়দী চৰিফুদ্দিনক লাহৰিঘাট থানাৰ অন্তৰ্গত তিনিচুকীয়াৰ মাহমাৰি পথাৰৰ পৰা কৰায়ত্ব কৰিছিল। অন্ধ্ৰপ্ৰদেশত কৰায়ত্ব কৰা শোণিতপুৰ জিলাৰ মিছামাৰী থানাৰ অন্তৰ্গত কলাকুছি গাঁৱৰ পলাতক জিয়াৰুল ইছলামক মৰিগাঁও জিলাৰ মিকিৰভেটা আৰক্ষী থানাত ৰুজু হোৱা ১১৯/২০২৪ নম্বৰত পক'চ গোচৰত গ্ৰেপ্তাৰ কৰি যোৱা ২২ আগষ্টত আৰক্ষীয়ে মৰিগাঁও জিলা কাৰাগাৰলৈ প্ৰেৰণ কৰিছিল। ইপিনে মৰিগাঁও আৰক্ষীৰ এক সূত্ৰই প্ৰকাশ কৰা মতে আটকাধীন জিয়াৰুলক আজি মৰিগাঁৱলৈ অনা হৈছে। আন দুটা কয়দী নুৰ ইছলাম আৰু মাফিদুল ইছলামকো কৰায়ত্ত কৰিবলৈ সক্ষম হ'ব বুলি জানিবলৈ দিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সূৰ্য দাসলৈ বাহু কৈৱৰ্ত বঁটা

দেশপ্ৰেমিক 'বাহু কৈৱৰ্ত্ত' বঁটা অসমৰ বিশিষ্ট শিল্পী সূৰ্য দাসক প্ৰদান কৰা হয়। আজি কামপুৰ স্বৰাজ ভৱনত অনুসূচিত জাতি মঞ্চৰ উদ্যোগত আৰু জ্যেষ্ঠ নাগৰিক সম্মিলনৰ সহযোগত আনুষ্ঠানিকভাৱে এই বঁটা প্ৰদান কৰা হয় শিল্পী সূৰ্য দাসক। 'মানুহ দেখিছো আজি, বহুত মানুহ'কে আদি কৰি বহুকেইটা স্বদেশ প্ৰেমৰ গীত পৰিৱেশন কৰি ৰাইজৰ মাজত জাতীয় চেতনা যোগাই তোলা শিল্পী সূৰ্য দাসে জন্মভূমি কামপুৰত এনে এজন দেশ প্ৰেমিকৰ নামত বঁটা গ্ৰহণ কৰি সচাকৈয়ে গৌৰৱান্বিত হোৱা বুলি মন্তব্য কৰে। পঁচাশী বছৰ গৰকা বৰ্ষীয়ান শিল্পীগৰাকীয়ে এনে ধৰণৰ বঁটা-বাহনে শিল্পীসকলক তেওঁলোকৰ কৰ্মক্ষেত্ৰখনত আগুৱাই নিয়াৰ ক্ষেত্ৰত যথেষ্টখিনি অৰিহনা যোগাই আহে বুলি প্ৰকাশ কৰে। শিল্পীগৰাকীয়ে কেবাটাও জনপ্ৰিয় গীত পৰিৱেশন কৰি ৰাইজক আপ্লুত কৰি তোলে। ইপিনে, দুপৰীয়া শিল্পীগৰাকীক গৰুৰ গাড়ীত উঠাই কামপুৰ চহৰৰ মাজেৰে এক বৰ্ণিল শোভাযাত্ৰা বাহিৰ কৰা হয়। এই উপলক্ষে অনুসূচিত জাতি মানচিত্ৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনোজ সেনাপতিৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বঁটা বিতৰণী সভাত সংগঠনটোৰ কাৰ্যকৰী সভাপতি দিলীপ কুমাৰ দাস, সম্পাদক অপূৰ্ব দাস, নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকা, জ্যেষ্ঠ নাগৰিক সভাৰাম মজুমদাৰ, সুধাময় দাস, মাধৱ লস্কৰ, মোলান লস্কৰ, ৰাজু বৰা, ৰাহুল দেৱ বৰদলৈ, ডাঃ স্বৰাজ মোহন বৰা, সীতাৰাম দাস, প্ৰমোদ লস্কৰ, গুণ কাকতী, খগাই দাসকে আদি বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি শিল্পী সূৰ্য দাসৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। সভাৰ আৰম্ভণিতে তনুজপ্ৰিয়া হাজৰিকা আৰু উৰ্বশী হাজৰিকাই এটি বৰগীত পৰিবেশন কৰে। এই অনুষ্ঠানতে তিতাৰাম দাসক 'অসম গ্ৰীন ভেলী এৱাৰ্ড -২০২৪ সংগঠনটোৰ তৰফৰ পৰা প্ৰদান কৰা হয়। ইফালে, পুৱা পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, বৃক্ষ ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দুটা দুখজনক খবৰ

দীপাৱলীত মেঘালয় ভ্ৰমণ কৰি আহি খানাপাৰাত দুৰ্ঘটনাত পতিত হৈ দীপিত দে আৰু কনামিকা বসুমতাৰী নামৰ যুৱক-যুৱতীৰ মৃত্যুৰ ঘটনাক লৈ চাঞ্চল্যৰ মাৰ নৌযাওঁতেই আজি পুনৰ মেঘালয় ভ্ৰমণ কৰিবলৈ গৈ অসমৰ এহাল যুৱক-যুৱতী নিহত হৈছে। মেঘালয়ৰ ৰি-ভয় জিলাৰ শাংবাংলাত সংঘটিত পথ দুৰ্ঘটনাত অসমৰ যুৱক-যুৱতীয়ে মৃত্যুক আকোৱালি লয়। শ্বিলং-গুৱাহাটী ৰাষ্ট্ৰীয় ঘাইপথত দ্ৰুত বেগী এখন ট্ৰাকত এনফিল্ড মটৰচাইকেলেৰে খুন্দা মৰাত যুৱক-যুৱতীহাল নিহত হয়। মটৰচাইকেলখনত থকা দুই আৰোহীয়ে ট্ৰাকখনক অতিক্ৰম কৰিবলৈ চেষ্টা কৰাৰ সময়তে ট্ৰাকত খুন্দা মৰাত মটৰচাইকেলখন ট্ৰাকৰ তলত সোমাই পৰিছিল। নিহত যুৱক-যুৱতীহালক ডিব্ৰুগড়ৰ মৰাণৰ ২৩ বছৰীয়া নীলোৎপল দেউৰী আৰু চৰাইদেউৰ ২১ বছৰীয়া গাৰ্গী চুতিয়া বুলি চিনাক্ত কৰা হৈছে। যুৱক-যুৱতীহালে উঠি যোৱা এনফিল্ডখনৰ নম্বৰ হৈছে এএছ-০১-এফএফ-৩৩৬৭ আৰু ট্ৰাকখনৰ নম্বৰ হৈছে এএছ-০১-আৰচি-০৪১৩। আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি নংপোৰ অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে। নংপো আৰক্ষীয়ে ইতিমধ্যে এএছ-০১-আৰচি-০৪১৩ নম্বৰৰ ট্ৰাকখন জব্দ কৰি চালকক আটক কৰিছে। ইফালে, আজিৰ দিনটোতে গুৱাহাটীৰ বেলতলাত কৰ্ণাটকৰ এজন ব্যক্তিৰ মৃতদেহ এটা হোমষ্টেৰ পৰা উদ্ধাৰ কৰা হয়। ছাৰ্ভেস্থিত 'মাটিৰ ঘৰ' নামৰ হোমষ্টেটোৰ পৰা মৃত অৱস্থাত উদ্ধাৰ কৰা যুৱকজনক ছেমুৰেল জেবামানি বুলি জানিব পৰা গৈছে। ব্যৱসায় সংক্ৰান্তীয় কামৰ বাবে গুৱাহাটীলৈ আহিছিল যুৱকজন। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে অনুসন্ধান আৰম্ভ কৰাৰ লগতে কৰ্ণাটক আৰক্ষীৰ সৈতেও যোগাযোগ কৰিছে। ঘটনাটোৱে বেলতলাত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আৰম্ভ ভাষা

লগতে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীৰ শুভাৰম্ভণি কৰা হয়। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কামৰূপ মহানগৰ জিলাত ভিত্তিত পালন কৰা ভাষা গৌৰৱ সপ্তাহৰ সপ্তাহজোৰা কাৰ্যসূচীৰ শুভাৰম্ভণি কৰা হয়। সাংসদ বিজুলী কলিতা মেধি, শিক্ষা মন্ত্ৰী ৰণোজ পেগু আৰু কৃষি মন্ত্ৰী অতুল বৰাৰ উপস্থিতিত অনুষ্ঠিত কাৰ্যসূচীত অসমীয়া ভাষাৰ অগ্ৰগতিৰ বাবে ওৰে জীৱন কাম কৰা কেইবাগৰাকী লোকক সম্বৰ্ধনা জ্ঞাপন কৰে। গণ্য-মান্য লোকসকলক চৰকাৰৰ তৰফৰ পৰা চেলেং চাদৰ, ফুলাম গামোচা, চৰকাৰৰ প্ৰশস্তি পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে কৃষিমন্ত্ৰী অতুল বৰাই অসমীয়া ভাষাৰ প্ৰতি বিৰল অৰিহণা যোগোৱা লোকসকলক কৃতজ্ঞতা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে স্বাধীনতাৰ পিছত ২০০০ বছৰ পুৰণি ভাষাটোক স্বীকৃতি দিয়াৰ লগতে পূৰ্বৰ চৰকাৰসমূহে স্বীকৃতি দিয়াত ব্যৰ্থ হৈছিল বুলি দাবী কৰে। কৃষিমন্ত্ৰী অতুল বৰাই কয় যে অসমীয়া ভাষাৰ ভৱিষ্যতৰ ওপৰতেই বহু পৰিমাণে নিৰ্ভৰশীল সমগ্ৰ অসমীয়া জাতি আৰু অসমৰো ভৱিষ্যৎ। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ সৈতে সংগতি ৰাখি ৯ নৱেম্বৰলৈ আয়োজন কৰা হৈছে ভাষা গৌৰৱ সপ্তাহ। আইৰ মুখৰ ভাষাটোৰ জয়যাত্ৰা উদযাপনৰ এয়া মধুৰ ক্ষণ। অসমীয়া ভাষাই বিশ্ববাসীৰ ওচৰত উচ্চ শিৰে থিয় হোৱাৰ প্ৰতীক্ষিত সময়ত অৰুণোদয় যুগৰপৰা আৰম্ভ কৰি জোনাকী যুগ, ৰামধেনু যুগ পাৰ হৈ সাম্প্ৰতিক আধুনিক অসমীয়া ভাষা-সাহিত্যৰ বেদীত মূল্যৱান অৰ্ঘ্য নিবেদন কৰি সেৱকসকল, অসমীয়া ভাষাৰ উন্নতি কল্পে নিৰলস সাধনাত ব্ৰতী সকলোকে মন্ত্ৰী বৰাই শ্ৰদ্ধাৰে সুঁৱৰে। শিক্ষা মন্ত্ৰী ৰণো পেগুৱে অসমীয়া ভাষাক জীয়াই ৰখাৰ গুৰুত্ব সকলোৰে বুলি কয়। আমাৰ মাতৃভাষাৰ মৌলিক কথাবোৰ পাহৰি নাযাবলৈ আৰু অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিবলৈ অনুৰোধ জনায়। আজিৰ কাৰ্যসূচীত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহা, শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰো উপস্থিত থাকে। যোৱা ৩ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কেন্দ্ৰীয় কেবিনেটে মুঠ ৫টা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰিছিল। মৰ্যাদা লাভ কৰা ভাষাৰ ভিতৰত অন্যতম ভাষা আছিল অসমীয়া। তাৰ পাছতে অসমীয়াক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়াত ৰাজ্য চৰকাৰে 'ভাষা গৌৰৱ সপ্তাহ' কাৰ্যসূচী পালনৰ ঘোষণা কৰিছিল। বিদ্যালয়, মহাবিদ্যালয়, ৰাজহুৱা কাৰ্যালয় আৰু নাগৰিক সমাজ, জাতীয় সংগঠনসমূহৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰি সমৃদ্ধ ভাষাটোৰ ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰাৰ সিদ্ধান্ত লয়। বিভিন্ন মঞ্চত অসমীয়া আৰু ৰাজ্যৰ অন্যান্য ভাষাক লৈ আলোচনা, ভাষাৰ তাৎপৰ্য বৰ্ণনা কৰি ৰাজ্যজুৰি এখন বিশেষ পুস্তিকা বিতৰণ কৰা হ'ব। অসমীয়াক শাস্ত্ৰীয় ভাষাৰ মৰ্যাদা প্ৰদান কৰাত প্ৰধানমন্ত্ৰীক ধন্যবাদ জনোৱাৰ লগতে ভাষাৰ বিকাশ আৰু সংৰক্ষণৰ ক্ষেত্ৰত অপৰিসীম অৱদান আগবঢ়োৱা ৰাজ্যখনৰ মহান ব্যক্তিসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিবলৈ এই কাৰ্যসূচী গ্ৰহণ কৰা হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কাশ্মীৰত গ্ৰেনেড আক্ৰমণ, ১২ আহত

কৰাত অতিকমেও ১২ জন লোক আহত হোৱাৰ খবৰ পোৱা গৈছে। জানিব পৰা মতে, সাপ্তাহিক দেওবাৰৰ বজাৰৰ বাবে অঞ্চলটোত বজাৰ কৰা লোকৰ যথেষ্ট ভিৰ আছিল। সেই ভিৰৰ সুযোগ গ্ৰহণ কৰি সন্ত্ৰাসবাদীয়ে এই বিস্ফোৰণ সংঘটিত কৰে। গ্ৰেনেড বিস্ফোৰণৰ পিছতে অঞ্চলটোত তীব্ৰ আতংকই বিৰাজ কৰিছে। আৰক্ষী সূত্ৰই জনোৱা মতে বজাৰখনত এটা চৰকাৰী কাৰ্যালয়ৰ সমীপলৈ লক্ষ্য কৰি সন্ত্ৰাসবাদীয়ে গ্ৰেনেড নিক্ষেপ কৰিছিল। আহতসকলক ইতিমধ্যে চিকিৎসাৰ বাবে শ্ৰীনগৰ হাস্পতালত ভৰ্তি কৰা হৈছে। ঘটনাস্থলীলৈ অতিৰিক্ত বাহিনী প্ৰেৰণ কৰাৰ লগতে অঞ্চলটো ঘেৰাও কৰা হৈছে বুলি জানিব পৰা গৈছে। নিৰাপত্তাৰক্ষীয়ে ইতিমধ্যে অঞ্চলটোত গ্ৰেনেড নিক্ষেপ কৰা সন্ত্ৰাসবাদীৰ সন্ধানত অনুসন্ধান আৰম্ভ কৰিছে যদিও এই বাতৰি যুগুতোৱা পৰ্যন্ত কাকো গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হোৱা নাই। ইফালে, জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপালে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে আৰক্ষী আৰু নিৰাপত্তা বাহিনীক কঠোৰ হ'বলৈ নিৰ্দেশ জাৰি কৰিছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰীয়েও বিষয়টো সন্দৰ্ভত চোকা নজৰ ৰাখিছে আৰু এনে ঘটনাৰ যাতে পুনৰাবৃত্তি হ'ব নোৱাৰে তাৰ বাবে সম্প্ৰতি কেন্দ্ৰৰ অধীনত থকা গৃহ বিভাগক দাবী জনাইছে। উল্লেখ্য যে, শনিবাৰে ৰাজ্যখনত সেনা আৰু নিৰাপত্তাৰক্ষীৰ গুলীত নিহত হৈছিল দুই সন্ত্ৰাসবাদী।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমত বন্ধ হৈছে অবৈধ অনুপ্ৰৱেশ!

বিজেপি চৰকাৰ অহাৰ পাছতে অবৈধ প্ৰব্ৰজন বন্ধ হৈছে বুলি দাবী কৰিছে। গৃহমন্ত্ৰী অমিত শ্বাহে আজি ঝাৰখণ্ডত বিজেপিৰ প্ৰাৰ্থীৰ হৈ ভোট বিচাৰি অবৈধ প্ৰব্ৰজন বন্ধ হোৱাৰ লগতে অসমত অবৈধ প্ৰব্ৰজন কৰিবলৈ সাহস নকৰা হ'ল বুলি দাবী কৰিছে। গৃহমন্ত্ৰী অমিত শ্বাহে ঝাৰখণ্ডত অবৈধ প্ৰব্ৰজন আৰু ৰাজ্যখনৰ জনজাতীয়ৰ জনসংখ্যাৰ জনগাঁথনিগত প্ৰভাৱৰ বিষয় উত্থাপন কৰি বাংলাদেশী অনুপ্ৰৱেশৰ ফলত ৰাজ্যখনত জনজাতীয় জনসংখ্যা তীব্ৰ হ্ৰাস পাইছে বুলি দাবী কৰে। অনুপ্ৰৱেশকাৰীসকলে যাতে জনজাতীয় লোকৰ ভূমি হস্তান্তৰ কৰিব নোৱাৰে তাৰ বাবে এখন আইন অনাৰ প্ৰতিশ্ৰুতি দিছে। নিৰ্বাচনী জনসভাত ভাষণ দি অমিত শ্বাহে কয় যে ঝাৰখণ্ডত মহিলাক অত্যাচাৰ কৰা অনুপ্ৰৱেশকাৰীসকলক ফাঁচী দিয়া হ'ব। ঝাৰখণ্ডত বিজেপি শাসনলৈ আহিলে বাংলাদেশীসকলৰ অনুপ্ৰৱেশ বন্ধ কৰিব। হেমন্ত চোৰেণৰ চৰকাৰৰ সময়ত ঝাৰখণ্ডৰ জনজাতীয় লোকসকল সুৰক্ষিত নহয় বুলি দাবী কৰি অনুপ্ৰৱেশকাৰীসকলক আশ্ৰয় দিয়াৰ অভিযোগ আনে শ্বাহে। শ্বাহে আৰু কয় যে অনুপ্ৰৱেশকাৰীৰ বাবে ৰাজ্যত জনজাতীয় লোকৰ সংখ্যা হ্ৰাস পাইছে, জনগাঁথনি সলনি হৈছে আৰু হেমন্ত চোৰেণ অনুপ্ৰৱেশকাৰীসকলক ভোট বেংক কৰি নিজৰ কামত ব্যস্ত হৈ আছে। অনুপ্ৰৱেশকাৰীসকলে স্থানীয় ছোৱালীক প্ৰলোভিত কৰি বিয়া কৰাইছে আৰু ভূমি দখল কৰিছে। এই কাৰ্য বন্ধ কৰিব লাগিলে, ঝাৰখণ্ডৰ সংস্কৃতি, নিযুক্তি, ভূমি, নাৰী সুৰক্ষিত হ'ব লাগিলে ঝাৰখণ্ডত বিজেপি চৰকাৰ গঠন কৰিব লাগিব। শ্বাহে জোৰ দি কয় যে আমি অনুপ্ৰৱেশকাৰীসকলক বিতাড়িত কৰিম। অমিত শ্বাহে আৰু কয় যে বিজেপিয়ে আইন কাৰ্যকৰী কৰ মহিলাসকলৰ পৰা কাঢ়ি লোৱা ভূমি ঘূৰাই দিব। ঝাৰখণ্ডৰ মহিলাসকলক সুৰক্ষা প্ৰদানত ব্যৰ্থ হৈছে হেমন্ত চোৰেণ। অসমত বিজেপি চৰকাৰ ক্ষমতালৈ অহাত আজি অসমত অনুপ্ৰৱেশ বন্ধ হৈছে। ঝাৰখণ্ডৰ প্ৰচাৰ সভাত ভাষণ দি বিজেপিয়ে ৰুটি, বেটি আৰু মাটিক সুৰক্ষা দিব বুলিও কয় শ্বাহে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হংকং, লাওছৰ পৰা চলে ডিজিটেল

১৪০ কোটি টকা হৰলুকি কৰিছে। এই নতুন প্ৰৱঞ্চনাৰ ফলত সৰ্বসাধাৰণে প্ৰতিমাহে গড়ে ২১৪ কোটি টকা হেৰুৱাইছে। এই জালিয়াতি চক্ৰ নিয়ন্ত্ৰিত হৈ আহিছে মূলতঃ দক্ষিণ-পূব এছিয়াৰ কেইবাখোন দেশ কম্বোডিয়া, ম্যানমাৰ, ভিয়েটনাম, লাওছ আৰু থাইলেণ্ডৰ পৰা। তাৰ পৰাই চলাই আছে জালিয়াতিৰ চক্ৰ। অৱশ্যে ইয়াৰ লগত কেইবাটাও দেশীয় ভুৱা সংগঠনো জড়িত বুলি ইডিয়ে সন্দেহ প্ৰকাশ কৰিছে। এনে কেইবাটাও সংগঠনৰ ওপৰত তদন্তকাৰীয়ে নিৰীক্ষণ অব্যাহত ৰাখিছে। শেহতীয়াকৈ ইডিয়ে বাংগালুৰুৰ নিম্ন আদালতত অনলাইন বিত্তীয় জালিয়াতিৰ সৈতে জড়িত গোচৰৰ অভিযোগনামা দাখিল কৰে। অনলাইন ষ্টক মাৰ্কেট বিনিয়োগৰ প্ৰলোভন আৰু 'ডিজিটেল গ্ৰেপ্তাৰ'ৰ ভাবুকিৰে প্ৰৱঞ্চকসকলে সাধাৰণ মানুহক প্ৰতাৰণা কৰিছিল। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা এনে অভিযোগ পোৱা গৈছে। ব্যক্তিগত থানাতো এফআইআৰ দাখিল কৰা হৈছে। সেই এফআইআৰসমূহৰ ভিত্তিত ইডিয়ে তদন্ত আৰম্ভ কৰিছিল। ইডিৰ তদন্তত প্ৰকাশ পাইছে যে হংকং আৰু থাইলেণ্ডৰ ৰিং লিডাৰসকলে এই জালিয়াতি চলাই আহিছে। ভাৰততো তেওঁলোকৰ দলৰ কিছু সদস্য আছে। সেই ভাৰতীয় প্ৰৱঞ্চকৰ সহায়ত চলি আছিল জালিয়াতিৰ ব্যৱসায়। টকা পাবলৈ সাধাৰণ মানুহক বিপথে পৰিচালিত কৰা হৈছিল আৰু প্ৰতাৰণা কৰা হৈছিল। সেই ধন বহিঃৰাজ্য আৰু দেশৰ বিভিন্ন ভুৱা কোম্পানীৰ নামত বেংক একাউণ্টত জমা হৈছিল। অভিযানকালত তদন্তকাৰীয়ে প্ৰায় ১৫৯ কোটি টকা উদ্ধাৰ কৰে। এই সকলোবোৰ অপৰাধমূলক কাৰ্যকলাপৰ পৰা জমা হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে ইডিয়ে। এই গোচৰত ইতিমধ্যে ইডিয়ে আটক কৰিছে ৮ জন লোকক। বৰ্তমান আটাইকেইজন জেলত আছে। অপৰাধৰ ধন সংগ্ৰহৰ বাবে ব্যৱহাৰ কৰা ভুৱা সংগঠনৰ সৈতে অভিযুক্তসকলৰ সম্পৰ্ক থকাৰ সন্দেহ কৰিছে তদন্তকাৰী বিষয়াসকলে। ইয়াৰে কেইবাটাও ভুৱা কোম্পানীও দেশত গঢ় লৈ উঠিছিল বুলি ইডিয়ে প্ৰকাশ কৰে। তদন্তকাৰীয়ে তামিলনাডু, কৰ্ণাটককে ধৰি কেইবাখনো ৰাজ্যৰ এনে ভুৱা সংগঠনৰ তদন্ত চলাই আছে। ভুৱা কোম্পানীৰ নামত ভুৱা নথি জাৰি কৰা হৈছিল বুলিও জানিব পৰা গৈছে। এই ভুৱা কোম্পানীসমূহে 'ভাড়াত' বেংক একাউণ্ট ব্যৱহাৰ কৰা তথ্যও পোহৰলৈ আহিছে। অনলাইন জালিয়াতিৰ বেছিভাগ ক্ষেত্ৰতে প্ৰৱঞ্চকে নিজৰ বেংক একাউণ্ট ব্যৱহাৰ নকৰে। কাৰণ, ধৰা পৰাৰ সম্ভাৱনা বেছি। গতিকে তৃতীয় পক্ষৰ বেংক একাউণ্ট ব্যৱহাৰ কৰা হয়। এইবোৰক প্ৰায়ে ভাড়াতীয়া বেংক একাউণ্ট বুলি কোৱা হয়। প্ৰথমে এই একাউণ্টত ধন জমা হৈছিল বুলি ইডিয়ে সন্দেহ প্ৰকাশ কৰিছে। পিছলৈ ইয়াক ক্ৰিপ্টোকাৰেন্সিলৈ ৰূপান্তৰিত কৰা হয়। ধৃতসকলৰ ঘৰত তালাচী চলাই ইডিয়ে একাধিক সন্দেহজনক নথি, বেংকৰ চেক বুক উদ্ধাৰ কৰে। যাৰ পৰা তদন্তকাৰীয়ে সেইবোৰ ভুৱা সংগঠনৰ কামত ব্যৱহাৰ হৈছিল বুলি অনুমান কৰিছে। ইতিমধ্যে 'চাইবাৰফ'ৰেন্সিক টেকন'লজি প্ৰাইভেট লিমিটেড' নামৰ কোম্পানী এটাৰ সৈতে জড়িত বেংক একাউণ্টত জমা কৰা ২.৮১ কোটি টকা জব্দ কৰিছে ইডিয়ে। উল্লেখ্য যে দিনদিয়েক পূৰ্বে তিনিচুকীয়া জিলাৰ এগৰাকী এংলো ইণ্ডিয়ান বৃদ্ধাৰ পৰা এনেদৰে ডিজিটেল এৰেষ্ট চক্ৰই কেবা লাখ টকা সৰকাই নিছিল।

# ডিমৰুগুৰিত ভূ-মাফিয়াৰ সন্ত্ৰাস! নাতিনীসহ সত্তৰ উৰ্ধৰ মহিলাক হত্যাৰ প্ৰয়াস, নিৰ্বিকাৰ নগাঁও আৰক্ষী

**ই-সংবাদ, ৩ নৱেম্বৰঃ** নগাঁও জিলাৰ আমতল ডিমৰুগুৰিত অনুসূচিত জাতিৰ পৰিয়াল এটাৰ সৈতে সংঘটিত ভয়ংকৰ ঘটনাই সমগ্ৰ জিলাখনতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। এগৰাকী ৭০ বছৰীয়া বৃদ্ধা আৰু নাতিনীক হত্যাৰ প্ৰয়াস কৰা ঘটনা পোহৰলৈ অহাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। দুৰ্বৃত্তৰ আক্ৰমণত লেবেজান হৈ হাস্পতালত ভৰ্তি হৈ থকা বৃদ্ধাগৰাকীৰ অৱস্থাত সংকটজনক বুলি জানিব পৰা গৈছে। দুৰ্বৃত্তই বৃদ্ধাৰ মুখমণ্ডল আৰু শৰীৰৰ বিভিন্ন অংশত আঘাত কৰাত বৃদ্ধাৰ চকু নষ্ট হোৱাৰ আশাংকা কৰা হৈছে। হাস্পতালৰ ভৰ্তি বৃদ্ধাৰ অৱস্থা বেয়াৰ দিশে যোৱা বুলি ওচৰ-চুবুৰীয়াই উল্লেখ কৰিছে। আমতল ডিমৰুগুৰি দুলু দাসৰ পৰিয়ালে ইতিমধ্যে নগাঁৰৰ ইটাচালি আৰক্ষী থানাত অজাহাৰ দাখিল কৰিছে। এজাহাৰৰ ভিত্তিত ১০৬৩/২৪ নম্বৰত ন্যায় সংহিতাৰ ৩২৯(৪)/১১৭(২)/১০৯(১)/৩৫১(২)/৩(৫) ধাৰাত গোচৰ ৰুজু কৰা হৈছে। জানিব পৰা মতে, নগাঁৰৰ ইটাচালী আৰক্ষী থানা এলেকাৰ আমতল ডিমৰুগুৰিত ৰাষ্ট্ৰীয় ঘাইপথৰ কিছু নিলগত পূৰ্বপুৰুষৰ ভূমিত বসবাস কৰে দাল দৰিদ্ৰ ৭০ বছৰীয়া দুলু দাসৰ পৰিয়াল। দুলু দাসৰ একমাত্ৰ পুত্ৰ সন্তানটোৰে বিয়া কৰাইছে। পুত্ৰই নগাঁৰৰ বিভিন্ন এলেকাত দিন-হাজিৰা কৰি ঘৰখন চলাই। পুত্ৰৰ দুই সন্তান তথা দুলু দাসৰ দুই নাতিনী আছে। এগৰাকী নাতিনী দুলু দাসৰ সৈতে থাকে। আন এগৰাকী পিতৃৰ সৈতে অন্য ঠাইত ভাড়াঘৰত থাকে। কিন্তু এইগৰাকী দাল দৰিদ্ৰ দুলু দাস আৰু নাতিনীক ১ নৱেম্বৰৰ নিশা হত্যাৰ প্ৰয়াস কৰা হৈছিল। দুষ্কৃতিকাৰীয়ে বৰ্বৰভাৱে প্ৰহাৰ কৰি নাতিনীৰ সৈতে দুলু দাসক হত্যাৰ প্ৰয়াস কৰে। ১ নৱেম্বৰৰ নিশা প্ৰায় ৮ বাজি ৩০ মিনিটত ৭০ বছৰীয়া দুলু দাসে ১৩ বছৰীয়া নাতিনীৰ সৈতে ঘৰত অকলে আছিল। সেই সময়তে কেইজনমান লোক প্ৰথমে চোঁতালত সমৱেত হয়। তাৰ পাছতে গাৰ জোৰেৰে ঘৰত প্ৰৱেশ কৰে। হঠাতে ঘৰত প্ৰৱেশ কৰি কোনো কথাৰ অৱতাৰণা নকৰাকৈ প্ৰায় ৭০ বছৰীয়া দুলু দাসক বৰ্বৰভাৱে প্ৰহাৰ কৰিবলৈ ধৰে। মূৰত কাঠৰ বাতেমেৰে প্ৰহাৰ কৰাৰ লগতে নাতিনীজনীয়ে আইতাকক ৰক্ষা কৰিবলৈ অহাত নাতিনীকো প্ৰহাৰ কৰে। পাছত বৃদ্ধাগৰাকী লেবেজান হৈ পৰাত ১৩ বছৰীয়া নাতিনীক গণ ধৰ্ষণ কৰি ৰাস্তাৰ মৃতদেহ পেলাই থোৱাৰ ভাবুকি দি থৈ যায়। দুলু দাস আৰু নাতিনীক বৰ্বৰভাৱে প্ৰহাৰ কৰি তেওঁলোকে বসবাস কৰা থকা মাটিখিনি, ঘৰটো এৰি যাবলৈ ধমক দিয়ে। এই ঘটনাক লৈ সমগ্ৰ আমতল ডিমৰুগুৰি অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। এগৰাকী ৭০ বছৰীয়া বৃদ্ধা আৰু ১৩ বছৰীয়া নাতিনীক হত্যাৰ প্ৰয়াসৰ ঘটনাৰ পিছতে পোহৰলৈ আহিছে বহু গোপন তথ্য। এজাহাৰত উল্লেখ কৰা মতে সুৰজিৎ দে, মৌচুমী মহন্ত, দীপাঞ্জলি দাসে আক্ৰমণ সংঘটিত কৰিছিল। কিয়নো বৃদ্ধাগৰাকীয়ে জুপুৰী বান্ধি বসবাস কৰি থকা ভূমিখিনিৰ সমীপৰ ভূমিত আছে এটা ধনী পৰিয়ালৰ ব্যৱসায় প্ৰতিষ্ঠান। সেই ব্যৱসায় প্ৰতিষ্ঠানৰ মালিকে বৃদ্ধাৰ মাটিখিনি দখল কৰিবলৈ প্ৰয়াস কৰি আহিছে। বৃদ্ধা আৰু নাতিনীক নিতৌ মানসিক-শাৰীৰিকভাৱে নিৰ্যাতন চলোৱা হয়। শিলগুটি নিক্ষেপ, বৃদ্ধাৰ চৌহদত জাৰৰ পেলোৱা, জুপুৰীটোৰ বেৰ ভাঙি নিৰ্যাতন চলাই আহিছে। বিভিন্ন সময়ত বৃদ্ধাক ভূমিখিনি এৰি যাবলৈ ভাবুকি দি আহিছে। ১ নৱেম্বৰৰ নিশা যেন সকলো সীমা চেৰাই গ'ল। বৃদ্ধা আৰু নাতিনীক আক্ৰমণ কৰি হত্যাৰ প্ৰয়াস কৰা হয়। নগাঁও জিলা আৰক্ষীৰ ৰহস্যজনক স্থিতিত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইটাচালি আৰক্ষী থানাত এজাহাৰ দাখিলৰ ৬০ ঘণ্টা পাৰ হৈ গ'ল যদিও নীৰৱ-নিৰ্বিকাৰ আৰক্ষী। ৭০ বছৰীয়া বৃদ্ধা আৰু ১৩ বছৰীয়া নাতিনীক হত্যাৰ প্ৰয়াস কৰি মাটি দখলৰ প্ৰয়াস কৰাৰ পিছতো আৰক্ষীয়ে অভিযুক্তক গ্ৰেপ্তাৰ কৰাটো দূৰৰ কথা বিচাৰি পৰ্যন্ত যোৱা নাই বুলি অভিযোগ উঠিছে। আৰক্ষীয়ে ভয়ংকৰ দুষ্কাৰ্য সংঘটিত কৰা অভিযুক্তসকলক ৰক্ষণা-বেক্ষণ দিয়াৰ অভিযোগ উঠিছে। গৰীৱক সুৰক্ষা দিব নোৱাৰে আৰক্ষীয়ে ভূ-মাফিয়াক সুৰক্ষা কৰিছে নেকি বুলি প্ৰশ্ন উঠিছে? প্লাৱিতা হাজৰিকা নামৰ এগৰাকী সমাজসেৱীয়ে বৃদ্ধাগৰাকীৰ পৰিয়ালক পাৰ্যমানে সহায় কৰি গৈছে। প্লাৱিতা হাজৰিকাই সামাজিক মাধ্যমত কেইবাখনো ফটো শ্বেয়াৰ কৰি কয় যে ইমানখিনি আঘাত হোৱাৰ পিছতো আৰক্ষীয়ে কৈছে একো হোৱা নাই। এজাহাৰ দিয়াৰ তিনিদিন হ'ল। কোনো ব্যৱস্থা নহল। দোষী মুকলি আকাশৰ তলত। বৰ্তমান বৃদ্ধাগৰাকী হাস্পতালত। ঘৰ লৰা ছোৱালী এৰি তিনি দিন ধৰি ৰাতি দিন লগত আছো। মানৱতাৰ খাতিৰত মই যিমানখিনি পাৰো সহায় কৰিছো। মানুহগৰাকীৰ কোনো নাই, দুখীয়া বাবেই সকলোৱে অৱহেলা কৰিছে। কিন্তু ভগৱানে বিচাৰ কৰিব।

৯ নৱেম্বৰ পৰ্যন্ত জিলাখনৰ বিভিন্ন প্ৰান্তত ৫,০০০ খন বিশেষ সভা অনুষ্ঠিত কৰাৰ পৰিকল্পনা

# তিনিচুকীয়াৰ ভাষা গৌৰৱ সপ্তাহৰ উদ্বোধনী অনুষ্ঠানত ১০ সাহিত্যিকক সম্বৰ্ধনা

**ই-সংবাদ, ডুমডুমা, ৩ নৱেম্বৰঃ** ৰাজ্যৰ অন্যান্য অংশৰ লগতে আজি তিনিচুকীয়া জিলাতো ভাষা গৌৰৱ সপ্তাহৰ উদ্বোধনী উপলক্ষে জিলাভিত্তিক কেন্দ্ৰীয় অনুষ্ঠান অনুষ্ঠিত হয়। তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণ সাংস্কৃতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত ৰাজহুৱা সভাত জিলাখনৰ বিভিন্ন প্ৰান্তৰ ১০ গৰাকী বিশিষ্ট সাহিত্যিকক সম্বৰ্ধনা জনোৱা হয়। তেওঁলোকৰ ভিতৰত সাহিত্যিক পেঞ্চনাৰ কেইগৰাকী হ'ল ক্ৰমে - তিনিচুকীয়া কচুজান পথ নিবাসী বিশিষ্ট লেখক কীৰ্তি প্ৰসাদ চলিহা, বুৰঞ্জীবিদ কাকপথাৰৰ শ্ৰীকুমাৰ দহোতীয়া আৰু কেবাখনো গ্ৰন্থৰ প্ৰণেতা মাৰ্ঘেৰিটাৰ বৰুণ বৰা। ইয়াৰ উপৰি আন সম্বৰ্ধিত বিশিষ্ট সাহিত্যিকসকল হ'ল - লিডুৰ কবি-গল্পকাৰ-ঔপন্যাসিক ড০ ৰঞ্জিত দত্ত, বৰডুমচাৰ বিশিষ্ট শিক্ষাবিদ-লেখক তথা জিলা সাহিত্য সভাৰ বৰ্তমানৰ সভাপতি মোহন মৰাণ, পানীতোলাৰ লম্বেশ্বৰ চেতিয়া, ৰূপাই-ডুমডুমাৰ বিশিষ্ট কবি-সাহিত্যিক ড০ অৰুণা গগৈ বৰুৱা, শদিয়াৰ জীৱনীকাৰ-অনুবাদক প্ৰণতি গগৈ, ৰূপাই- ডুমডুমাৰ সাহিত্যিক শৰৎ চন্দ্ৰ চিৰিংফুকন আৰু মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ হিতেন শৰ্মা। অনুষ্ঠানত মুখ্য অতিথি হিচাপে শ্ৰমমন্ত্ৰী সঞ্জয় কিষাণ উপস্থিত থাকি সম্বৰ্ধনা জনায়। আজিৰ সভাতে অসমীয়া ভাষাকো অলপতে কেন্দ্ৰীয় চৰকাৰে আন কেবাটাও ভাষাৰ লগতে ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰাৰ বাবে প্ৰধানমন্ত্ৰীলৈ ধন্যবাদ জনাই এটা প্ৰস্তাৱ গ্ৰহণ কৰা হয় আৰু এই প্ৰস্তাৱটোত সভাত উপস্থিত থকা সকলোৱে স্বাক্ষৰ কৰে। উক্ত প্ৰস্তাৱটো প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰা হ'ব বুলি জিলা আয়ুক্ত স্বপ্নীল পালে জনাইছে। উল্লেখ্য যে, আজিৰে পৰা আৰম্ভ হোৱা ভাষা গৌৰৱ সপ্তাহৰ সময়ছোৱাত জিলাৰ বিভিন্ন বিভাগৰ উদ্যোগত অহা ৯ নৱেম্বৰৰ ভিতৰত বিভিন্ন পৰ্যায়ত প্ৰায় ৫,০০০ খন সভা অনুষ্ঠিত হ'ব আৰু প্ৰতিখন সভাতে অনুৰূপ ধৰণে প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব। পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক পঞ্চানন হাজৰিকাই সভাত নিৰ্দিষ্ট বক্তা হিচাপে দিয়া মূল ভাষণত অসমীয়া ভাষাৰ গৌৰৱময় ঐতিহ্য আৰু প্ৰাচীনত্বৰ বিষয়ে উল্লেখ কৰে। তিনিচুকীয়া জিলা আয়ুক্তৰ কাৰ্যালয়ৰ কৰ্মচাৰী বিপ্লৱী গগৈয়ে আঁত ধৰা অনুষ্ঠানটোত তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ কাজল গোহাঁইৰ উপৰি তিনিচুকীয়া, মাকুম, ছপাখোৱা আৰু ডুমডুমা পৌৰসভাৰ সভাপতিসকলো উপস্থিত থাকে।

## ভূমি ৰাজহক লৈ ৰাজহ আদালত

**ই-সংবাদ, পৰ্বতঝোৰা, ৩ নৱেম্বৰঃ** শেহতীয়াকৈ ধুবুৰী জিলা আয়ুক্তৰ এক নিৰ্দেশনা অনুসৰি ই-খাজানা অনলাইন ব্যৱস্থাৰ জৰিয়তে ভূমি ৰাজহ ১০০% বাস্তৱায়িত কৰাৰ বাবে ই-খাজানা অনলাইন প্ৰক্ৰিয়াত পঞ্জীয়ন কৰাৰ পিছত সকলো ভূমি পট্টাদাৰৰ যিকোনো অনাদায় হৈ থকা ভূমি ৰাজহ পৰিশোধ কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ইয়াৰ ই-খাজানা অনলাইন ব্যৱস্থাযোগে ভূমিৰ পট্টাদাৰসকলৰ পঞ্জীয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ নিজ নিজ গাঁও পঞ্চায়ত কাৰ্যালয়ত ৰাজহ আদালত অনুষ্ঠিত কৰা হ'ব। উল্লেখ্য যে কাইলৈৰ পৰা হ'ব লগা এই ৰাজহ আদালতসমূহৰ তাৰিখ আৰু স্থানসমূহ এনেধৰণৰ- অহা ৪ নৱেম্বৰত লক্ষীগঞ্জ, ৫ নৱেম্বৰত আনন্দনগৰ বাঙালীপাৰা, ৬ নৱেম্বৰত কাজাইকাটা, ৮ নৱেম্বৰত ডুবাছুৰী, ১০ নৱেম্বৰত বাঘমাৰী, ১১ নৱেম্বৰত নায়েৰ আলগা, ১২ নৱেম্বৰত নয়াহাট, ১৩ নৱেম্বৰত ৰাণীগঞ্জ আৰু হাতীপোটা, ১৪ নৱেম্বৰত মাছপাৰা সোণকোষ, ১৬ নৱেম্বৰত মায়াৰ চৰ, ১৭ নৱেম্বৰত কদমতলা, ১৮ নৱেম্বৰত উদমাৰী, ১৯ নৱেম্বৰত বৰকান্দা, ২০ নৱেম্বৰত কাজাইকাটা চুৰাপাতা, ২১ নৱেম্বৰত শালটাৰী, ২২ নৱেম্বৰত ফুটকীবাৰী, ২৫ নৱেম্বৰত তুষপাৰা, ২৬ নৱেম্বৰত শগুনমাৰী, ২৭ নৱেম্বৰত গোৱৰধনপাৰা, ২৮ নৱেম্বৰত মাসানেৰ আলগা, ২৯ নৱেম্বৰত হাকামা, ৩০ নৱেম্বৰত যোগীৰ মহল, ১ ডিচেম্বৰত সোণাময়ী, গাঁও পঞ্চায়ত কাৰ্যালয়ত অনুষ্ঠিত হ'ব বুলি জানিব পৰা গৈছে।

## মৰিগাঁৱত কুষ্ঠ ৰোগী ধৰা পেলোৱা অভিযান সন্দৰ্ভত বৈঠক




**ই-সংবাদ, লাহৰীঘাট, ৩ নৱেম্বৰঃ** কুষ্ঠমুক্ত সমাজৰ দিশত প্ৰচেষ্টা ত্বৰান্বিত কৰাৰ লক্ষ্যৰে আজি মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা টাস্ক ফ'ৰ্চৰ কুষ্ঠ ৰোগী ধৰা পেলোৱা অভিযান (এলচিডিচি) সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। জিলা কুষ্ঠ কোষৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত স্বাস্থ্য আৰু প্ৰশাসনিক গুৰুত্বপূৰ্ণ বিষয়াসকলক একত্ৰিত কৰি জিলাখনৰ ভিতৰত কুষ্ঠ ৰোগ আগতীয়া ধৰা পেলোৱা আৰু প্ৰতিৰোধৰ বাবে কৌশল আৰু সম্পদ আদি সন্দৰ্ভত আলোচনা কৰা হয়। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত কুষ্ঠৰোগ সম্পৰ্কীয় সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত স্বাস্থ্য বিষয়া আৰু কৰ্মীসকলৰ দায়বদ্ধতাক প্ৰশংসা কৰা হয়। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আগতীয়াকৈ ধৰা পেলোৱাৰ গুৰুত্ব আৰু কুষ্ঠ ৰোগৰ প্ৰাদুৰ্ভাৱ হ্ৰাস কৰাৰ বাবে সহযোগিতামূলক পন্থাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আয়ুক্তগৰাকীয়ে সংশ্লিষ্ট সকলোকে নিষ্ঠাসহকাৰে কাম কৰিবলৈ আহ্বান জনায়। ধঁপাত নিয়ন্ত্ৰণ কোষৰ জিলা ন'ডেল বিষয়া জয়া বড়োৱে বিষয়ৰ লগত সংগতি ৰাখি কুষ্ঠ ৰোগ নিৰ্মূলৰ বাবে চৰকাৰৰ দায়বদ্ধতাক আলোকপাত কৰি সকলো বিভাগতে ঐক্যবদ্ধ পন্থাৰ আহ্বান জনায়। তেওঁ এল চি ডি চিৰ লক্ষ্যসমূহৰ বিষয়ে আলোচনা কৰে, য'ত আছে ৰোগী ধৰা পেলোৱাৰ তীব্ৰতা, সময়মতে চিকিৎসা, আৰু কুষ্ঠ ৰোগৰ সৈতে জড়িত কলংক দূৰ কৰাৰ বাবে চলি থকা সম্প্ৰদায় সজাগতা অভিযান। অভিযানৰ লক্ষ্যত উপনীত হ'বলৈ জনসাধাৰণৰ সমৰ্থন আৰু সহযোগিতা অতি প্ৰয়োজনীয় বুলিও তেওঁ মত প্ৰকাশ কৰে। অতিৰিক্ত জিলা আয়ুক্তৰ লগতে মৰিগাঁৱৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ অৰুণ কুমাৰ নাথেও সভাত অংশগ্ৰহণ কৰে। ডাঃ নাথে মৰিগাঁৱৰ বৰ্তমানৰ কুষ্ঠ ৰোগৰ পৰিস্থিতিৰ গভীৰ আভাস প্ৰদান কৰি ৰিপ'ৰ্ট কৰা ৰোগীৰ তথ্য ভাগ-বতৰা কৰাৰ লগতে সতৰ্কতা আৰু হস্তক্ষেপ বৃদ্ধি কৰা ক্ষেত্ৰসমূহৰ বিষয়ে আলোচনা কৰে। তেওঁ ফ্ৰন্টলাইন স্বাস্থ্যকৰ্মীসকলক সবলীকৰণৰ বাবে এক সমন্বিত প্ৰচেষ্টাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে।


## পৰাজয়ৰ উমান পালেই ইভিএমক দোষ দিয়াটো কংগ্ৰেছৰ পৰম্পৰাঃ বিধায়ক জিতু গোস্বামী

# চামগুৰিত সংখ্যালঘু ভোটাৰৰ ভোট লাভৰ লক্ষ্যৰে বিজেপিৰ ব্যাপক নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, পুৰণিগুদাম, ৩ নৱেম্বৰঃ** লোকসভাৰ সাংসদ ৰকিবুল হুছেইনে চামগুৰিৰ উপ-নিৰ্বাচনত বিজেপিৰ লগতে আৰক্ষীৰ ভূমিকা সন্দৰ্ভত সংবাদ-মাধ্যমৰ যোগেদি অভিযোগ তোলাৰ পাছতে বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী সৰৱ হৈ পৰিছে। বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে চামগুৰি নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয়ত কালি নিশা সংবাদ-মাধ্যমৰ আগত কয় যে, ৰকিবুল হুছেইনক গ'বেক, বিজেপিয়ে নহয় চামগুৰিৰ ৰাইজেহে দিছে। ৰকিবুল হুছেইনৰ একালৰ ঘনিষ্ঠ লোকৰ মতে, ৰকিবুল হুছেইন পূৰ্বে ফেঁটি সাপ আছিল, এতিয়া ঢোঁৰা সাপত পৰিণত হৈছে। চামগুৰিত কংগ্ৰেছৰ পৰাজয় নিশ্চিত বুলি জানি এতিয়া নিৰ্বাচন নৌহওঁতেই ইভিএমক দোষ দিছে। ইভিএমক দোষ দিয়াটো কংগ্ৰেছৰ পৰম্পৰা। আজি ধৰ্মীয় সংখ্যালঘুসকল বিজেপিমুখী হৈছে। কংগ্ৰেছে বলেৰে জোৰ দি যোগদান কৰায়। বলেৰে যোগদান কৰিলে কিমান দিন থাকিব? বিজেপিয়ে মানুহক বলেৰে যোগদান নকৰায়। চামগুৰি সমষ্টিৰ ৰঙাগড়াৰ এগৰাকী মহিলাক কংগ্ৰেছত যোগদান কৰাৰ নাটক কৰিছে ৰকিবুল হুছেইনে। ধৰ্মীয় সংখ্যালঘু ৰাইজ বিজেপিৰ প্ৰতি চামগুৰিত আকৰ্ষিত হোৱা সন্দৰ্ভত সাংবাদিকে সোধাত বিধায়ক গোস্বামীয়ে কয় যে চামগুৰিত বিজেপিয়ে উন্নয়ন বিচাৰিছে বাবেই সংখ্যালঘু ৰাইজৰ ভোট বিচাৰিছে। সম্পূৰ্ণ বিষয় নেদেখুৱাই অংশ বিশেষ দৃশ্যাংশ টিভিত দেখুৱাই ভুৱা প্ৰচাৰ চলাইছে ৰকিবুল হুছেইনে। পুত্ৰৰ বাহিৰে অন্য কোনো কংগ্ৰেছী কৰ্মী তথা নেতা চামগুৰিত নাছিল নেকি? প্ৰকৃত কংগ্ৰেছীৰ ভাত মাৰিছে ৰকিবুল হুছেইনে। ৰকিবুল হুছেইনে ক'লা চশমা পিন্ধি কেৱল কংগ্ৰেছীসকলকহে দেখে। তেওঁৰ সভাত অধিক আৰক্ষী মোতায়ন কৰা হয়। তেওঁ কোনো নিৰাপত্তাহীনতাত ভোগা নাই। ৰাইজ আৰু আমোলাসকলক ভয় খুৱাবলৈ ৰকিবুল হুছেইনে কংগ্ৰেছ চৰকাৰ আহিব বুলি বাৰে বাৰে কৈ আছে। জে'লৰ পৰা গুণ্ডা উলিয়াব নালাগে গুণ্ডা কংগ্ৰেছৰ লগতেই আছে। চামগুৰিত আৰু দ্বিতীয়জন কংগ্ৰেছ নাছিল জানো কংগ্ৰেছৰ টিকট দিবলৈ? তেওঁ পৰিয়ালৰ মাজতেই ৰাখিছে। আনহাতে, কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই সংবাদ মাধ্যমৰ আগত কয় যে এইবাৰ চামগুৰিত কংগ্ৰেছীসকল বিমোৰত পৰিছে। চামগুৰিত কংগ্ৰেছৰ প্ৰাৰ্থী ৰকিবুল হুছেইন নে তানজিল হুছেইন? কাৰণ কংগ্ৰেছৰ সভা-সমিতিত তানজিল হুছেইনৰ ভাষণ শুনা নাযায়, ভাষণ দিয়ে ৰকিবুল হুছেইনে। যাৰ বাবে চামগুৰিত এইবাৰ জাকে-জাকে ভোটাৰ ৰাইজে কংগ্ৰেছৰ সংগ ত্যাগ কৰি বিজেপি দলত যোগদান কৰিছে। ভোটাৰ ৰাইজে বিজেপি দলত যোগদান কৰা দেখি ৰকিবুল হুছেইনে এতিয়া আবোল-তাবোল বকিবলৈ আৰম্ভ কৰিছে। ইভিএমৰ প্ৰসংগত ৰকিবুল হুছেইনে কৰা অভিযোগ সন্দৰ্ভত সাংসদগৰাকীয়ে কয় যে, ৰকিবুল হুছেইনে ইভিএমৰ কথা কৈ আদালতক একপ্ৰকাৰ অৱমাননা কৰিছে। ৰকিবুল হুছেইন যেতিয়া ধুবুৰীত ১০ লাখ ভোটত জিকিছিল তেতিয়া ইভিএম মেচিন ঠিক আছিল। যোৰহাটত যেতিয়া গৌৰৱ গগৈ জিকিছিল তেতিয়া ইভিএম মেচিন ঠিক আছিল। ৰকিবুল হুছেইনে তেওঁৰ পুত্ৰ চামগুৰিত পৰাজয় হোৱাৰ গোন্ধ পাইছে কাৰণে আবোল-তাবোল বকিছে। আনহাতে, পলাশবাৰীৰ সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই চামগুৰি উপ-নিৰ্বাচনৰ বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই সংবাদ-মাধ্যমৰ আগত কয় যে, পৰিয়ালকেন্দ্ৰিক ৰাজনীতি এইবাৰ বিদায় দিব চামগুৰিবাসী ৰাইজে। এইবাৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মা জয়যুক্ত হ'ব। চামগুৰি সমষ্টিৰ ৰাইজে এইবাৰ দলৰ লগতে প্ৰাৰ্থী চাই ভোট দিব বুলি মোৰ বিশ্বাস আছে বুলি বিধায়কগৰাকীয়ে মন্তব্য কৰে। মন্ত্ৰী কেশৱ মহন্তই চামগুৰিত নিৰ্বাচনী প্ৰচাৰ চলাই সংবাদ মাধ্যমৰ আগত কয় যে, চামগুৰিৰ বহুসংখ্যক লোকে বৰ্তমান অসম গণ পৰিষদ আৰু বিজেপি দলত যোগদান কৰিছে। চামগুৰিত সেই আগৰ পৰিৱেশ নাই। গতিকে আমি এই উপ-নিৰ্বাচনত ভাল ফলাফল লাভ কৰিবলৈ সক্ষম হম। বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ এইবাৰ বহু ভোটত বিজয় নিশ্চিত। চামগুৰিত সংখ্যালঘু লোকসকলে বিজেপিৰ প্ৰাৰ্থীগৰাকীক সক্ৰিয়ভাৱে সহমত আগবঢ়াইছে, গতিকে জয় নিশ্চিত বুলি মন্তব্য কৰে মন্ত্ৰী কেশৱ মহন্তই। ইফালে, আজি বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই দক্ষিণপাট, আমলখি, উদমাৰি অঞ্চলকে ধৰি বিভিন্ন স্থানত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে বিধায়ক প্ৰশান্ত ফুকনে দিপ্লুৰঞ্জন শৰ্মাৰ হৈ মুঢ়ানি অঞ্চলৰ বিভিন্ন স্থানত নিৰ্বাচনী প্ৰচাৰ চলায়। আনহাতে, ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় সদস্য নাজিৰ হুছেইন আৰু অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ হবিব মহম্মদ চৌধুৰীয়ে আজি চামগুৰি উপ-নিৰ্বাচনৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ খাটোৱাল পঞ্চায়ত আৰু কাৰৈমাৰী পঞ্চায়তৰ বিভিন্ন স্থানত নিৰ্বাচনী প্ৰচাৰ চলায় বুলি জানিব পৰা গৈছে। এনেদৰেই এতিয়া তুংগত উঠিছে সমষ্টিটোৰ নিৰ্বাচনী প্ৰচাৰ অভিযান।

# মৰিগাঁৱত ভাষা গৌৰৱ সপ্তাহৰ উদ্বোধনী অনুষ্ঠান

**ই-সংবাদ, মৰিগাঁও, ৩ নৱেম্বৰঃ** অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰা উপলক্ষে আজিৰে পৰা আৰম্ভ হোৱা ভাষা গৌৰৱ সপ্তাহৰ আজি মৰিগাঁৱত উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই উপলক্ষে মৰিগাঁও মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি দুপৰীয়াৰ ভাগত এখন গাম্ভীৰ্যপূৰ্ণ সভা অনুষ্ঠিত হয়। এই সভাত অংশগ্ৰহণ কৰি বিশিষ্ট নিৰন্ধকাৰ ময়ুৰ বৰাই কয় যে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ পৰৱৰ্তী সময়ত অসমবাসীৰ বাবে বহু কৰণীয় আহি পৰিছে। ভাষাটোৰ ঐতিহ্য অক্ষুণ্ণ ৰাখিবৰ বাবে প্ৰতিজন অসমীয়া সকলো সময়তে সজাগ আৰু সচেতন হ'ব লাগিব। প্ৰতিখন ঘৰত খাটি অসমীয়া ভাষা ব্যৱহাৰ হ'লেহে পৰৱৰ্তী প্ৰজন্মই অসমীয়া ভাষাটো স্বকীয় ৰূপত বৰ্তাই ৰাখিব পাৰিব। তেওঁ ভাষণ প্ৰসংগত কয় যে অসমীয়া



ভাষাই ধ্ৰুপদীৰ স্বীকৃতি লাভ কৰাৰ এই শুভ ক্ষণত খ্ৰীষ্টিয় প্ৰথম শতিকাৰ মহীয়সী নাৰী অমৃত প্ৰভাক প্ৰতিগৰাকী অসমীয়াই শ্ৰদ্ধাৰে সোঁৱৰণ কৰাৰ প্ৰয়োজন। মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে উদ্বোধন কৰা এই সভাখনত আদৰণি ভাষণ প্ৰদান কৰে মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশিস শৰ্মাই। সভাত মৰিগাঁৱৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়া প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তি আৰু চৰকাৰী শীৰ্ষ বিষয়া উপস্থিত থাকে। এই অনুষ্ঠানতে মৰিগাঁৱৰ স্বনামধন্য পাঁচগৰাকী সাহিত্যিক তথা শিক্ষাবিদ ক্ৰমে অৰুণ দেৱী, মনেশ্বৰ দেউৰী, পুনাৰাম নাথ, সত্যহাস দাস আৰু নৰেন্দ্ৰনাথ কেওঁটক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। ইপিনে, ভাষা দিৱসৰ লগত সংগতি ৰাখি আজি পুৱাৰ ভাগত মৰিগাঁও চহৰত এক বৃহৎ সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। মৰিগাঁও স্কুল খেলপথাৰৰ পৰা আৰম্ভ কৰা এই শোভাযাত্ৰাটোত প্ৰায় পাঁচ হাজাৰ লোকে অংশগ্ৰহণ কৰে। শোভাযাত্ৰাটো উদ্বোধন কৰে মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে।

## মৌন হোজাই যোগান বিভাগ

# নতুন ৰেচন কাৰ্ডৰ নামত সুলভ মূল্যৰ দোকানীক লাগে ৪ হাজাৰ

**ই-সংবাদ, মোৰাঝাৰ, ৩ নৱেম্বৰঃ** হোজাই জিলাত যোগান বিভাগৰ একাংশ সুলভ মূল্যৰ দোকানীয়ে ভয়ংকৰ অনিয়ম সংঘটিত কৰাৰ অভিযোগ পোহৰলৈ আহিছে। বিশেষকৈ ডবকা ৰাজহ চক্ৰ এলেকাৰ বৰবালি-চামৰালি সমবায় সমিতি, কপাহবাৰী সমবায় সমিতি, ন-মাটি সমবায় সমিতি নীলবাগান সমবায় সমিতি আৰু ডবকা সমবায় সমিতি এলেকাত নতুন ৰেচন কাৰ্ডৰ নামত একপ্ৰকাৰ লুণ্ঠন চলাইছে একাংশ সুলভ মূল্যৰ দোকানীয়ে। অভিযোগ মতে, বৰবালি-চামৰালি সমবায়ৰ এগৰাকী বহু বিতৰ্কিত এজেন্ট আব্দুল ৰাহিদ দুৰ্নীতিৰ সম্ৰাট হৈ পৰিছে। মুখা পিন্ধা সমাজসেৱকৰ ভাও লৈ দৰিদ্ৰ ৰাইজক শোষণ কৰিছে আব্দুল ৰাহিদে। ৰাইজে সুলভ মূল্যৰ দোকানী আব্দুল ৰাহিদৰ বিৰুদ্ধে বিজেপি নেতা তথা ৰাজ্যৰ সংখ্যালঘু উন্নয়ন বিভাগৰ অধ্যক্ষ হবিব মহাম্মদ চৌধুৰীক অভিযোগ দিছে। ৰাইজৰ অভিযোগ মতে, সুলভ মূল্যৰ দোকানীগৰাকীয়ে চৰকাৰৰ নতুন ৰেচন কাৰ্ড আঁচনিৰ নামত ভয়ংকৰ অনিয়ম সংঘটিত কৰিছে। দৰিদ্ৰ হিতাধিকাৰীক চৰকাৰে বিনামূলীয়া ৰেচন কাৰ্ড যোগানৰ ব্যৱস্থা কৰিছে যদিও আব্দুল ৰাহিদে ৪ হাজাৰৰ পৰা ৫ হাজাৰ টকাকৈ প্ৰতিখন ৰেচন কাৰ্ডৰ বিনিময়ত সংগ্ৰহ কৰি যোৱাৰ অভিযোগ উঠিছে। এজেন্ট আব্দুল ৰাহিদৰ বিৰুদ্ধে সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষগৰাকীৰ জৰিয়তে লিখিত অভিযোগ দিয়ে জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীক। ৰাইজে এজেন্টজনৰ দুৰ্নীতিৰ বহু তথ্য ৰাজহুৱা কৰে। এজেন্টজনৰ বিৰুদ্ধে এনে দুৰ্নীতিৰ অভিযোগ নতুন নহয়। দীৰ্ঘদিনৰ পৰা এজেন্টজনে খাদ্য সুৰক্ষাৰ চাউল ৫ কেজিৰ পৰিৱৰ্তে ৪ কেজিকৈ দি আহিছে। ৰাইজৰ অভিযোগৰ পিছত সমগ্ৰ ঘটনাটো জিলা আয়ুক্তক অৱগত কৰা হ'ব বুলি চৌধুৰীয়ে ৰাজহুৱা প্ৰতিশ্ৰুতি দিয়ে। সমান্তৰালকৈ আব্দুল ৰাহিদে নিজৰ সুলভ মূল্যৰ দোকানৰ লগত অন্য এখন দোকানো বিভাগৰ পৰা কৌশললেৰে সংযোগ কৰাই দুখনকৈ দোকান বছৰ বছৰ ধৰি চলাই আছে। চৰকাৰী নিয়মৰ গইনা লৈ অতি কৌশললেৰে দুখনকৈ দোকান চলাই ৰাইজক ৰাম ঠগন দি গৈছে। কোনো লোকে অভিযোগ দিলে ভাবুকি প্ৰদানৰো অভিযোগ আছে এজেন্টজনৰ বিৰুদ্ধে। ইফালে, কপাহবাৰী সমবায়ৰ সভাপতি আছাদ আহমেদেও নতুন ৰেচন কাৰ্ডৰ নামত দালালিৰ জৰিয়তে ৰেচন কাৰ্ডৰ বৃহৎ ক'লা বজাৰ মুকলি কৰাৰ অভিযোগ উঠিছে। ৰাইজে আব্দুল ৰাহিদৰ দুৰ্নীতিৰ তদন্তৰ দাবী জনোৱাৰ লগতে কপাহবাৰী সমবায়ৰ সভাপতিৰ দুৰ্নীতিৰো উচ্চ পৰ্যায়ৰ তদন্ত দাবী কৰিছে।

## সমবেত হ'ল কুঁজি সত্ৰত, গঠন কৰিলে সমন্বয়ৰক্ষী সত্ৰ সমিতি

# সত্ৰৰ ভূমি বেদখলমুক্ত কৰিবলৈ ১৬ সত্ৰাধিকাৰ সাজু

**ই-সংবাদ, বেবেজীয়া, ৩ নৱেম্বৰঃ** অসমৰ জাতীয় ঐতিহ্য আৰু পৰম্পৰাৰ বৰঘৰ স্বৰূপ হৈছে অসমৰ সত্ৰসমূহ। এই সত্ৰৰ ঐতিহ্য ৰক্ষাৰ স্বাৰ্থত দেওবাৰে নগাঁও আৰু মৰিগাঁও জিলাৰ যোল্লখনকৈ সত্ৰৰ সত্ৰাধিকাৰ আৰু ভকত-বৈষ্ণৱসকল একত্ৰিত হৈ সত্ৰৰ হেৰুওৱা ভূমি উদ্ধাৰৰ বাবে আৰম্ভ কৰে আন্দোলন। আচলতে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানৰ চৌদিশে সিঁচৰতি হৈ থকা নৰোৱা সত্ৰ, কুঁজি সত্ৰ, বালিসত্ৰ, ওপৰ ডুমডুমীয়া সত্ৰ, কোবাইকটা সত্ৰ, শলগুৰি সত্ৰ, ভেটিয়নী নৰোৱা সত্ৰৰ লগতে ভেটি মাটি বিলুপ্ত হৈ পৰা ৰামপুৰ সত্ৰকে আদি কৰি এই সত্ৰসমূহৰ হেজাৰ হেজাৰ বিঘা মাটি পমুৱা মুছলমান লোকে বেদখল কৰি জাতীয় অস্তিত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰি আহিছে। বহু সত্ৰৰ মাত্ৰ ভেটিটোৰ বাদে আগ্ৰাসনৰ ফলত সকলো ভূমি নিঃশেষ হৈ পৰিল। সেয়ে এই অস্তিত্বৰ সংকটত ভুগি থকা ১৬ খন সত্ৰৰ সত্ৰাধিকাৰ আৰু ভকত-বৈষ্ণৱসকল নৰোৱা কুঁজি সত্ৰত সমবেত হৈ সভা অনুষ্ঠিত কৰে। নৰোৱা কুঁজি সত্ৰৰ সত্ৰাধিকাৰ নিত্যানন্দ দেৱ গোস্বামী, বটদ্ৰৱা নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ অম্লান জ্যোতি দেৱ গোস্বামী, ভেটিয়নী নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ অৰূপ কুমাৰ গোস্বামী, আহতগুৰি নুমলী সত্ৰৰ সত্ৰাধিকাৰ পৰমানন্দ দেৱ গোস্বামী, বালিসত্ৰৰ ভকত কুশ বৰদলৈ, দিলীপ ভূঞা, অচ্যুত দাস, সুৰেন দাস, হৰেশ্বৰ দাসকে আদি কৰি শতাধিক লোক উপস্থিত থকা সভাত ইন্দ্ৰমোহন বৰুৱাক সভাপতি, মানিক বৰাক সম্পাদক, যামিনী দাস, ৰাজু বৰুৱা, ভুপেন মহন্তক সদস্য হিচাপে ৫ জনীয়া সমন্বয়ৰক্ষী সত্ৰ সমিতি গঠন কৰা হয়। সভাৰ শেষত সমন্বয়ৰক্ষী সত্ৰ সমিতিৰ সভাপতি ইন্দ্ৰমোহন বৰুৱাই পূৰ্ববংগীয় মূলৰ লোকৰ অগ্ৰাসনৰ বাবে আমাৰ ঐতিহ্যমণ্ডিত সত্ৰ সমূহ সংকটৰ সন্মুখীন হৈছে। বিশেষকৈ কোবাইকটা সত্ৰ, বালিসত্ৰ, নৰোৱা সত্ৰ, কুঁজি বিল আদিত বেদখলকাৰীয়ে দিনক দিনে অগ্ৰাসন চলাই আছে। ইফালে ৰামপুৰ সত্ৰৰ অস্তিত্ব নাই। এই সত্ৰসমূহৰ ঐতিহ্য ৰক্ষাৰ বাবে চৰকাৰে বেদখল মুক্ত কৰি, সত্ৰ সমূহক ৰক্ষা কৰি, জাতীয় সংস্কৃতি ৰক্ষা কৰক। সত্ৰৰ বেদখল হৈ থকা ভূমি উদ্ধাৰ কৰি খিলঞ্জীয়া লোকৰ অস্তিত্ব ৰক্ষা কৰি সত্ৰ সমূহক পুনৰ জীৱিত কৰক। আজি আমি সত্ৰৰ মজিয়াত বহি ভূমি বেদখল মুক্ত নোহোৱা লৈকে, ভকত বৈষ্ণৱ, সত্ৰাধিকাৰে আন্দোলন চলাই নিব বুলি মত প্ৰকাশ কৰে।




**চৰাইদেউ জিলাত অনুষ্ঠিত ভাষা গৌৰৱ সপ্তাহৰ উদ্বোধনী অনুষ্ঠানৰ এটি মুহূৰ্ত, ফটোঃ ই-সংবাদ, সোণাৰি**

# ছাগলীয়াত চাহপাতৰ নথি-পত্ৰ দেখুৱাই শালকাঠ কঢ়িওৱা ট্ৰাক জব্দ

**ই-সংবাদ, গোলকগঞ্জ, ৩ নৱেম্বৰঃ** ধুবুৰী জিলাৰ অসম পশ্চিমবংগ সীমান্তৰ ছাগলীয়াত যোৱা নিশা ছাগলীয়া আৰক্ষীয়ে বহিঃৰাজ্য অভিমুখী কন্টেনাৰৰ পৰা বৃহৎ পৰিমাণৰ মূল্যবান শালকাঠ উদ্ধাৰ কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, যোৱা নিশা দহ বজাত ছাগলীয়া আৰক্ষীয়ে ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত বেৰিকেড লগাই চলাই থকা নিয়মীয়া তালাচীত সন্দেহজনকভাৱে এখন কন্টেনাৰ জব্দ কৰে। জব্দকৃত কন্টেনাৰখনৰ নম্বৰ ইউপি ১৩ বিটি ৮৯৩৯। চাহপাত কঢ়িওৱা নথি-পত্ৰ লগত লৈ অহা চালকজনে গন্তব্যস্থল এবাৰ মুম্বাই, এবাৰ খড়গপুৰ বুলি জানিবলৈ দিয়ে। স্ববিৰোধী মন্তব্যত সন্দেহ ঘনীভূত হোৱাত চালকসহ বাহনখন আৰক্ষীয়ে জব্দ কৰে। এই সন্দৰ্ভত স্থানীয় সাংবাদিকসকল ভাৰপ্ৰাপ্ত বিষয়াগৰাকীক যোগাযোগ কৰাত ৰহস্যজনকভাৱে সকলো কথা অস্বীকাৰ কৰে। ইপিনে, নিশাৰ লগতে পুৱাৰ ভাগতো ছাগলীয়াৰ এজন বিতৰ্কিত ব্যৱসায়ী কেইবাবাৰো চকীখনত উপস্থিত হৈ বাহনখন মুকলি কৰাৰ চেষ্টা চলোৱাৰো অভিযোগ উত্থাপিত হৈছে। অৱশেষত দিনৰ এক বজাত ছাগলীয়া আৰক্ষীয়ে বাহনখনৰ ছীল খুলি তালাচী চলোৱাত শতাধিক শালকাঠ উদ্ধাৰ হয়। ছাগলীয়া আৰক্ষীয়ে চালকজনক গ্ৰেপ্তাৰ কৰে। চালকজন ৰাজস্থানৰ আলৱাৰ জিলাৰ তেৱাজ গাঁৱৰ নায়েবুদ্দিন(২৮) বুলি জানিব পৰা গৈছে। তেওঁ জানিবলৈ দিয়া মতে, গুৱাহাটীৰ পৰা ওঠৰ টন কাঠ লৈ ওড়িশাৰ খড়গপুৰ অভিমুখে লৈ গৈ আছিল। কাঠবোৰ কঢ়িয়াই আছিল অনিল নামৰ এজন অসাধু ব্যৱসায়ীয়ে। আনহাতে, ইয়াৰ পূৰ্বে তেওঁৰ মোমায়েকে এইখন বাহনেৰে অনিল নামৰ ব্যৱসায়ীজনৰে শালকাঠ কঢ়িয়াই আছিল বুলি গুৰুতৰ তথ্য প্ৰকাশ কৰে। মোমায়েকজন একে জিলাৰ কিষাণগঞ্জ গাঁৱৰ ফকৰুৰ বুলি তেওঁ জানিবলৈ দিয়ে।

# বিশ্বনাথৰ চামগুৰিত ভাওনা প্ৰদৰ্শনৰ প্ৰস্তুতি

**ই-সংবাদ, বিশ্বনাথ, ৩ নৱেম্বৰঃ** বিশ্বনাথৰ চামগুৰি নামঘৰত ভাওনা প্ৰদৰ্শনৰ বাবে চলিছে ব্যাপক প্ৰস্তুতি। চামগুৰিৰ ৰাইজ তথা স্থানীয় যুৱক-যুৱতীসকলৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া ভাওনা ভাগত প্ৰদৰ্শন কৰা হ'ব ধৰ্মপালৰ ধৰ্মপৰীক্ষা, যৱনদৈত্য বধ নাট। উক্ত নাটভাগ প্ৰদৰ্শনৰ বাবে অসমৰ খ্যাতনামা প্ৰশিক্ষক ভাস্কৰ্য মনজিত হাজৰিকা আৰু প্ৰাণজিৎ হাজৰিকাই যুৱক-যুৱতীসকলক প্ৰদান কৰে প্ৰশিক্ষণ। ইতিমধ্যে যুৱক-যুৱতীসকলৰো প্ৰশিক্ষণ সম্পূৰ্ণ হোৱা বুলি জানিবলৈ দিয়ে ভাওনা উদযাপন সমিতিয়ে। মণ্ডপ তোৰণৰ উপৰি আনুষংগিক কামসমূহ প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। অহা ৮ আৰু ৯ নৱেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগা উক্ত ভাওনা ভাগত স্থানীয় বিধায়কগৰাকীয়ো অংশগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। সেয়েহে ভাওনা ভাগত সকলোৰে সহায়-সহযোগিতা, দিহা-পৰামৰ্শ তথা উপস্থিতি কামনা কৰিছে ভাওনা উদযাপন সমিতিৰ সভাপতি প্ৰবীণ ৰাজবংশী আৰু সম্পাদক অৰুণ লাহনকে ধৰি বিষয়ববীয়াসকলে।



**বিহালীৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানত ব্যস্ত গৌৰৱ গগৈ, ফটোঃ ই-সংবাদ বিশ্বনাথ**



**চামগুৰিৰ উপ-নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ নিৰ্বাচনী প্ৰচাৰ, ফটোঃ ই-সংবাদ, পুৰণিগুদাম**

## ন্যায়ালয়ৰ নিৰ্দেশৰ পিছতে চৰকাৰলৈ পত্ৰ প্ৰেৰণ কমিটিৰ

# পলাশবাৰী ৰাসত উপহাৰ কুপনৰ খেল পতাত অনুমতি!

**ই-সংবাদ, মিৰ্জা, ৩ নৱেম্বৰঃ** ৰাস মহোৎসৱৰ প্ৰাকক্ষণত গুৱাহাটী উচ্চ ন্যায়ালয়ে লটাৰী অনুষ্ঠিত কৰাত ৰাস সমিতিসমূহলৈ বাধা প্ৰদান কৰিছিল। গুৱাহাটী উচ্চ ন্যায়ালয়ে এখন পি আই এলৰ ভিত্তিত লটাৰী আৰু উপহাৰ কুপনৰ খেলসমূহ বন্ধ কৰাৰ এক নিৰ্দেশ দিছিল। তেনেক্ষেত্ৰত ৰাস সমিতিসমূহ বিপাঙত পৰে। এনে ঘটনাত একাংশ ৰাস মহোৎসৱ সমিতিয়ে ন্যায়ালয়ৰ কাষ চাপিছিল। ঠিক তেনেকৈ পলাশবাৰী ৰাস মহোৎসৱ সমিতি আৰু ছয়গাঁও চম্পক নগৰ ৰাস মহোৎসৱৰ সমিতিয়েও এই লটাৰী অনুষ্ঠিত কৰাৰ বাবে যাৱতীয় অনুমতি বিচাৰি আদালতত আবেদন দাখিল কৰিছিল। তেনেস্থলত ন্যায়ালয়ে এক ৰায় প্ৰদান কৰি চৰকাৰে লটাৰী বা উপহাৰ কুপনৰ খেল অনুষ্ঠিত কৰিবলৈ অনুমতি দিলে আদালতৰ কোনো আপত্তি নাথাকিব বুলি এই দুয়োখন সমিতিক জনায়। পলাশবাৰী ৰাস মহোৎসৱ সমিতিৰ হৈ উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা কে এন চৌধুৰীয়ে যুক্তি আগবঢ়ায় বুলি জানিব পৰা গৈছে। পলাশবাৰী ৰাস মহোৎসৱ সমিতিয়ে জনসাধাৰণৰ সুবিধাৰ্থে বিভিন্ন ধৰ্মীয়, সাংস্কৃতিক আৰু অন্যান্য সামাজিক কাম-কাজত লিপ্ত হৈ আহিছে। বছৰ বছৰ আগতে তেওঁলোকে জনসাধাৰণৰ বৃহৎ অংশগ্ৰহণক উৎসাহিত কৰাৰ উদ্দেশ্যে ৰাস উৎসৱ, লক্ষ্মী পূজা আৰু দোল উৎসৱ আদিৰ প্ৰাকক্ষণত লটাৰী, লাকী কুপন ড্ৰ'ৰ আয়োজন কৰি আহিছে আৰু পলাশবাৰী ৰাস মহোৎসৱ সমিতিয়ে এটি বৃহৎ মন্দিৰ নিৰ্মাণ কৰি আছে। এনে যুক্তিৰ ভিত্তিতে ন্যায়ালয়ে পলাশবাৰী ৰাস মহোৎসৱ সমিতিক উপহাৰ কুপন বা লটাৰী আদি অনুষ্ঠিত কৰাত ন্যায়ালয়ে ৰায় প্ৰদান কৰে। ন্যায়ালয়ৰ এনে ৰায়ত পলাশবাৰী ৰাস মহোৎসৱৰ উদযাপন সমিতিৰ সভাপতি মণিময় কৰ আৰু যুটীয়া সাধাৰণ সম্পাদকদ্বয় পংকজ দাস, অৰূপ দাসকে ধৰি বিষয়ববীয়াসকল উৎফুল্লিত হৈ পৰে। এই সন্দৰ্ভত আজি ৰাস সমিতিৰ এটি দলে ৰাজ্যৰ মুখ্যমন্ত্ৰী, জিলা আয়ুক্তলৈ পৃথকে পত্ৰ প্ৰদান কৰে।

# শদিয়াত নেহৰু যুৱ কেন্দ্ৰৰ জিলা যুৱ উৎসৱ অনুষ্ঠিত

**ই-সংবাদ, ডুমডুমা, ৩ নৱেম্বৰঃ** নেহৰু যুৱ কেন্দ্ৰ, তিনিচুকীয়াৰ উদ্যোগত শদিয়াৰ সদৰ চপাখোৱাস্থিত শদিয়া মহবিদ্যালয়ত মহাবিদ্যালয়খনৰ এনএছএছ শাখাৰ সহযোগত কালি দিনজোৰাকৈ অনুষ্ঠিত হয় জিলা যুৱ উৎসৱ। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা সমবেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে চপাখোৱা নগৰ সমিতিৰ সভানেত্ৰী বিছন্দাৰতী সোণোৱালে। প্ৰতিযোগিতা উদ্বোধন কৰে শদিয়া সমজিলাৰ সহঃ আয়ুক্ত পাৰ্চীয়া খনিকৰে। আদৰণী ভাষণ আগবঢ়ায় শদিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ভূপেন চুতীয়াই। জিলা যুৱ উৎসৱৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে অৱগত কৰে নেহৰু যুৱ কেন্দ্ৰৰ কাৰ্যসূচীৰ তত্বাৱধায়ক কমলাপতি শইকীয়াই। উল্লেখ্য যে, মুঠ ৭টা পৰ্যায়ত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত প্ৰতিযোগীসকলে ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ সুবিধা পাব। অনুষ্ঠানত প্ৰতিযোগীসকলৰ লগতে চাৰি শতাধিক যুৱক-যুৱতীও উপস্থিত থাকে। নেহৰু যুৱ কেন্দ্ৰ, তিনিচুকীয়াৰ সমল ব্যক্তি মুকুন্দ বৰা আৰু শদিয়া মহাবিদ্যালয়ৰ মুনমী কলিতাই আঁত ধৰা অনুষ্ঠানত শদিয়া মহাবিদ্যালয়ৰ এনএছএছৰ প্ৰগেম অফিচাৰ নকুল নেওগ, সহঃ সমন্বয়ক দ্বীজেন দাস, নেহৰু যুৱ কেন্দ্ৰৰ প্ৰাক্তন স্বেচ্ছাসেৱক অভিজিত গগৈ, দিপাংকৰ বুঢ়াগোহাঁই, বিৰুছ সোণোৱালৰ লগতে মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকাসকল উপস্থিত থাকে। ফটোগ্ৰাফী প্ৰতিযোগিতাত বিচাৰক হিচাপে সমৰজ্যোতি গগৈ, চন্দ্ৰ কমল বুঢ়াগোহাঁই আৰু সৌৰভ বুঢ়াগোহাঁই উপস্থিত থাকে। প্ৰতিযোগিতাৰ অন্তত স্থানপ্ৰাপ্ত প্ৰতিযোগীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। অনুষ্ঠানত নেহৰু যুৱ কেন্দ্ৰ, তিনিচুকীয়াৰ কৰ্মচাৰী লাৱণ্য খাউণ্ডে ভায়'লিন বজাই উপস্থিত ৰাইজৰ মন মুহিবলৈ সক্ষম হয়।

# ৰঙিয়াত এপ'ল মিলৰ শ্ৰমিকৰ তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণৰ হুংকাৰ

**ই-সংবাদ, ৰঙিয়া, ৩ নৱেম্বৰঃ** ৰঙিয়াৰ তুলসীবাৰীস্থিত অগ্ৰণী বস্ত্ৰ উদ্যোগ এপল' মিল বন্ধ হোৱাৰ সুদীৰ্ঘ কাল অতিক্ৰম কৰিলে যদিও বৰ্তমানলৈ শ্ৰমিক-কৰ্মচাৰীসকলে ভি আৰ এছৰ ধন সম্পূৰ্ণ ৰূপে লাভ নকৰাত তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি হৈছে। এপ'ল মিলৰ ৩৯৪ জন শ্ৰমিকে কৰ্মসংস্থাপন হেৰুৱাই সম্প্ৰতি দিন হাজিৰা কৰি কোনোমতে পেট প্ৰৱৰ্তন কৰিবলৈ বাধ্য হৈছে। চৰকাৰৰ সদিচ্ছাৰ অভাৱতে ২০১৬ চনতে সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছিল ৰাজ্যৰ অন্যতম আগশাৰীৰ বস্ত্ৰ উদ্যোগ তুলসীবাৰী এপ'ল মিল। স্থানীয় যুৱকসকলৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা কৰ্মসংস্থানত নিয়োজিত হোৱা শ্ৰমিকসকলে বিভিন্ন সময়ত মিলটো পুনৰুজ্জীৱিত কৰাৰ লগতে ভি আৰ এছ প্ৰদানৰ দাবীত তীব্ৰ আন্দোলন গঢ়ি তুলিছিল। স্থানীয় বৈদ্যগড় আঞ্চলিক ছাত্ৰ সন্থা, ৰঙিয়া সচেতন নাগৰিক মঞ্চকে ধৰি বিভিন্ন সংগঠনৰ সহযোগিতাত ৰূপায়িত ধাৰাবাহিক আন্দোলনৰ ফলশ্ৰুতিত মিলটো পুনৰুজ্জীৱিত কৰাৰ পৰিৱৰ্তে ৰাজ্য চৰকাৰে শ্ৰমিকসকলক ভি আৰ এছৰ ধন মোকলাই দিয়াৰ কথা ঘোষণা কৰিছিল। পৰৱৰ্তী সময়ত ভি আৰ এছৰ ধনৰ নামত প্ৰায় ৪০ শতাংশ ধন লাভ কৰা বুলি সদৰি কৰে শ্ৰমিকসকলে। অতিশীঘ্ৰে সম্পূৰ্ণ ধনৰাশি আদায় দিয়াৰ বাবে চৰকাৰৰ ওচৰত সজোৰে দাবী উত্থাপন কৰে ৩৯৪ গৰাকী শ্ৰমিকে। অন্যথা শীঘ্ৰে পুনৰ ৰাজপথত তীব্ৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে।



**মৰিগাঁও আৰক্ষীৰ সাফল্য! মৰিগাঁৱৰ কাৰাগাৰৰ পৰা পলায়ন কৰা কয়দী জিয়াৰুলক অন্ধ্ৰপ্ৰদেশত কৰায়ত্ত**

# চামগুৰিত আম আদমী পাৰ্টীৰ নুৰুল আমিন চৌধুৰীৰ নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, পুৰণিগুদাম, ৩ নৱেম্বৰঃ** শাসক-বিৰোধীৰ ৰথী মহাৰথীৰ উপস্থিতিৰে নগাঁও জিলাৰ চামগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযান আকৰ্ষণীয় হৈ উঠিছে। সমষ্টিটোৰ উপ-নিৰ্বাচনৰ দিন যিমানেই চমুচাপি আহিছে সিমানেই ৰাজনৈতিক দলসমূহে নিজৰ নিজৰ দলৰ সাংগঠনিক দিশ সবল কৰিবলৈ তৎপৰতা আৰম্ভ কৰা পৰিলক্ষিত হৈছে। অহা ১৩ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যৰ ৫ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভিতৰত আটাইতকৈ আকৰ্ষণীয় হৈ পৰিছে এইবাৰ চামগুৰি বিধানসভা সমষ্টি। সুদীৰ্ঘ ২৩ বছৰ ধৰি কংগ্ৰেছৰ প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইনৰ দখলত থকা চামগুৰি বিধানসভা সমষ্টিৰ পূৰ্বৰ ৰাজনৈতিক প্ৰেক্ষাপট এইবাৰ পৃথক ৰূপত লোৱা পৰিলক্ষিত হৈছে। চামগুৰি উপ-নিৰ্বাচনৰ বাবে কংগ্ৰেছ আৰু বিজেপি দলে নিৰ্বাচনী প্ৰচাৰ কাৰ্য অব্যাহত ৰখাৰ সমান্তৰালভাৱে আম আদমী পাৰ্টিৰ মনোনীত প্ৰাৰ্থী ড০ নুৰুল আমিন চৌধুৰীয়ে চামগুৰি সমষ্টিৰ বিভিন্ন স্থানত নিৰ্বাচনী প্ৰচাৰ চলাই আহিছে। চামগুৰি সমষ্টিৰ ভাটিয়াখালি, কনুৱামাৰি, বৰমাবিল, ৰঙাগড়া আদিকে ধৰি বিভিন্ন স্থানত আম আদমী পাৰ্টিৰ মনোনীত প্ৰাৰ্থী ড০ নুৰুল আমিন চৌধুৰীয়ে নিৰ্বচনী প্ৰচাৰ অব্যাহত ৰাখিছে। আম আদমী পাৰ্টিৰ মনোনীত প্ৰাৰ্থী ড০ নুৰুল আমিন চৌধুৰী আজি চামগুৰি উপস্থিত হৈ সংবাদ মাধ্যমৰ আগত চামগুৰি সমষ্টিৰ প্ৰাক্তন বিধায়ক ৰকিবুল হুছেইনক কঠোৰ সমালোচনা কৰে। আম আদমী পাৰ্টিৰ প্ৰাৰ্থী ড০ নুৰুল আমিন চৌধুৰীয়ে সংবাদ মাধ্যমৰ আগত কয় যে, চামগুৰিত নিৰ্বাচনৰ সময়ত বা নিৰ্বাচনৰ পিছত কংগ্ৰেছে সৰ্বসাধাৰণ জনতাক অত্যাচাৰ কৰি আহিছে। সংখ্যালঘু বসতিপ্ৰধান অঞ্চলৰ একাংশ লোকৰ ঘৰৰ পৰা গৰু, ছাগলী লৈ যোৱাৰ অভিযোগ আছে। গতিকে এইবাৰ নিৰ্বাচনৰ পিছত শান্তি প্ৰতিষ্ঠা হ'ব চামগুৰি সমষ্টিত। এইবাৰ যদি মই জয় লাভ কৰো তেতিয়া হ'লে চামগুৰি সমষ্টিৰ ৰাস্তা-ঘাট উন্নত কৰাৰ লগতে শৈক্ষিক পৰিৱেশ সৃষ্টি কৰিবলৈ চেষ্টা কৰিম বুলি আম আদমী পাৰ্টিৰ প্ৰাৰ্থীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে। চামগুৰি সমষ্টিৰ ৰাইজে বিকল্প বিচাৰিছে বুলি আম আদমী পাৰ্টিৰ প্ৰাৰ্থী ড০ নুৰুল আমিন চৌধুৰীয়ে সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে। লগতে সংযুক্ত শ্ৰমিক দল অসমৰ সভাপতি বীৰেন মিৰ্ধাই চামগুৰি উপ-নিৰ্বাচনৰ আম আদমী পাৰ্টিৰ প্ৰাৰ্থী ড০ নুৰুল আমিন চৌধুৰীক পূৰ্ণ সমৰ্থন আগবঢ়াব বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰা পৰিলক্ষিত হয়।

# বৰহোলাত চাওতাল সাহিত্য পৰিষদৰ বিশেষ সভা সম্পন্ন

**ই-সংবাদ, তিতাবৰ, ৩ নৱেম্বৰঃ** যোৰহাট জিলা চাওতাল সাহিত্য পৰিষদৰ উদ্যোগত আজি বৰহোলাৰ বাগান প্ৰাথমিক বিদ্যালয়ত এখন বিশেষ আলোচনা চক্ৰ অনুষ্ঠিত হয়। যোৰহাট জিলা চাওতাল সাহিত্য পৰিষদৰ সভাপতি সোণেশ্বৰ চৰেণৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনৰ আঁত ধৰাৰ লগতে উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক অনন্ত চৰেণে। সভাত মিছন অলচিকিৰ সন্দৰ্ভত অসম চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ, ওদালগুৰিত অনুষ্ঠিত হ'ব লগা কেন্দ্ৰীয় অধিবেশন, আঞ্চলিক আৰু প্ৰাথমিক গোট গঠন, পুঁজি সংগ্ৰহ আদিৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ আলোচনা কৰা হয়। সভাত চাওতাল পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সদস্য কেশৱ কিস্কু, সাংবাদিক অজয় শইকীয়া, যোৰহাট জিলা চাওতাল সাহিত্য পৰিষদৰ কাৰ্যকৰী সভাপতি হিৰানাথ মাঝি, উপ-সভাপতি যোগেশ বাস্কে, সহকাৰী সম্পাদক সাগৰ হাছদা, মেৰাপানীৰ শংকৰদেৱ পাব্লিক স্কুলৰ অধ্যক্ষ বাপুৰাম হাছদা, যুৱকৰ্মী ৰমেন মুৰ্মু অতিথি আদি হিচাপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে।

# পদুমণিত ভাওনা সবাহ উদযাপন

**ই-সংবাদ, মৰিয়নী, ৩ নৱেম্বৰঃ** চেলেংহাটৰ পদুমণি জাপিসজীয়া গাঁৱৰ নামঘৰত গাঁওবাসী ৰাইজৰ সহযোগত শনিবাৰে দিনজোৰা কাৰ্যসূচীৰে নামঘৰৰ বাৰ্ষিক নাম আৰু ভাওনা সবাহ সম্পন্ন হয়। এই উপলক্ষে পুৱা অন্যান্য কাৰ্যসূচীৰ লগতে নাম-প্ৰসংগ অনুষ্ঠিত হয়। নামাচাৰ্য ৰিপুঞ্জয় ফুকনে নাম প্ৰসংগ পৰিচালনা কৰে। নামৰ অন্তত প্ৰশান্ত কলিতাই কীৰ্তন পাঠ কৰে। দিনৰ এক বজাত গাঁৱৰ আইমাতৃ আৰু যুৱক-যুৱতীসকলে দিহানাম পৰিৱেশন কৰে। সন্ধ্যা নামঘৰৰ পৰিসৰত বন্তি প্ৰজ্জলনৰ জৰিয়তে নিশাৰ কাৰ্যসূচী আৰম্ভ হয়। গাঁৱৰ দুগৰাকী শিশু শিল্পী মানসীৰূপা চুতীয়া আৰু সৃজনা শইকীয়াৰ শাস্ত্ৰীয় নৃত্যই দৰ্শকক আপ্লুত কৰে। অসমৰ ভাওনা সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে নিজকে উৎসৰ্গিত কৰা ধৰ্মপ্ৰাণ ব্যক্তি, সুবক্তা উৎপল খনিকৰে ভাওনা উদ্বোধক হিচাপে উপস্থিত থাকে। উদ্বোধনী ভাষণত তেওঁ ৰাইজক উদ্দেশ্যি অত্যন্ত তত্ত্বগধুৰ, তেজস্বী বক্তৃতা প্ৰদান কৰে। ইয়াৰ পিছতেই উদ্বোধক ৰূপে উপস্থিত থকা উৎপল খনিকৰৰ নাট্যৰূপ তথা সত্যম খনিকৰৰ নেতৃত্বত দোহাৰ দলৰ পৰিচালনাত বৃহত্তৰ পদুমণি অঞ্চলৰ যুৱক বৃন্দৰ দ্বাৰা "সিদ্ধ মুনিৰ পিতৃ ভক্তি, দশৰথৰ স্বৰ্গ উদ্ধাৰ" ভাওনা প্ৰদৰ্শন কৰা হয়।

## চৰাইদেউ জিলাৰ ভাষা গৌৰৱ সপ্তাহৰ উদ্বোধনী অনুষ্ঠানত অধ্যাপিকা পদ্মাকুমাৰী গগৈ

# 'কওঁতা নাথাকিলে ধ্ৰুপদী ভাষাৰ মৰ্যাদা পালেই ভাষা এটা জীয়াই নাথাকে'

**ই-সংবাদ, সোণাৰি, ৩ নৱেম্বৰঃ** এটা জাতি ৰাজনৈতিকভাৱে পৰাজিত হ'লে আৰ্থিকভাৱে জুৰুলা হ'ব পাৰে, কিন্তু ভাষিকভাৱে পৰাজিত হ'লে জাতিটোৰ অস্তিত্ব বিপন্ন হ'ব। গতিকে চৰকাৰে অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষা কৰিবলৈ সকলো চেষ্টা অব্যাহত ৰাখিছে। জাতিক সুৰক্ষা দিয়াটো প্ৰথম আৰু প্ৰধান কৰ্তব্য বুলি ভাবে চৰকাৰে। সোণাৰিত আজি এই গুৰুত্বপূৰ্ণ মন্তব্য কৰিছে মন্ত্ৰী যোগেন মহনে। ভাষা গৌৰৱ সপ্তাহৰ চৰাইদেউ জিলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি এই মন্তব্য কৰে মন্ত্ৰীগৰাকীয়ে। উল্লেখ্য যে, কেন্দ্ৰীয় চৰকাৰে যোৱা ৩ অক্টোবৰত অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰাৰ ঐতিহাসিক স্বীকৃতিক উদযাপন কৰাৰ উদ্দেশ্যে আৰু নিজ নিজ মাতৃভাষাৰ সুৰক্ষা আৰু সমৃদ্ধিৰ বাবে অসম চৰকাৰে সমগ্ৰ ৰাজ্যতে ৩ নৱেম্বৰৰ পৰা ৯ নৱেম্বৰলৈ "ভাষা গৌৰৱ সপ্তাহ" পালন কৰাৰ বাবে জনোৱা আহ্বানৰ প্ৰতি সন্মান জনাই আজি চৰাইদেউ জিলাত "ভাষা গৌৰৱ সপ্তাহ" উদযাপনৰ শুভ উদ্বোধন কৰা হয়। সোণাৰি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত এই উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, পাৰ্বত্য অঞ্চল উন্নয়ন, খনি আৰু খনিজাত পদাৰ্থ বিভাগৰ মন্ত্ৰী যোগেন মহনে তেওঁৰ বক্তব্যত কয় যে, এটা জাতিৰ স্বৰ্ণিল ইতিহাস লিপিবদ্ধ হৈ থাকে সেই জাতিৰ ভাষাৰ মাধ্যমেৰে। ভাষাৰ অস্তিত্ব বিপদাপন্ন হ'লে, জাতিটোৰ প্ৰতি ভাবুকি আহে বুলি মন্তব্য কৰি তেওঁ সকলোকে নিজ নিজ ভাষাৰ মৰ্যাদা অক্ষুণ্ণ ৰখাৰ হকে অংগীকাৰবদ্ধ হ'বলৈ আহ্বান জনায়। ধ্ৰুপদী ভাষাৰ স্বীকৃতিয়ে অসমীয়া ভাষাক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠিত কৰাৰ ক্ষেত্ৰত সহায়ক হ'ব বুলিও তেওঁ মতপোষণ কৰে। চৰাইদেউ জিলাৰ জিলা আয়ুক্ত ডাঃ নেহা যাদৱে অনুষ্ঠানত আদৰণি বক্তব্য ৰাখি ভাষাক মানুহৰ মনৰ ভাব প্ৰকাশৰ এক অন্যতম মাধ্যম বুলি উল্লেখ কৰি মানুহক জীৱশ্ৰেষ্ঠ পৰ্যায়লৈ উন্নীত কৰাৰ ক্ষেত্ৰত ভাষাৰ গুৰুত্ব আৰু অবদান অদ্বিতীয় বুলি মত প্ৰকাশ কৰে। কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি জিলাবাসীৰ হৈ তেওঁ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত সোণাৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক পদ্মা কুমাৰী গগৈয়ে নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি অসমীয়া ভাষাৰ উৎপত্তি, ক্ৰমবিকাশৰ লগতে ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষাৰ ভৱিষ্যত সন্দৰ্ভত সাৰগৰ্ভ বক্তব্য ৰাখে। নিজৰ ভাষণত অধ্যাপিকা পদ্মাকুমাৰী গগৈয়ে ভাষা সম্পৰ্কে কয়, "ধ্ৰুপদী ভাষাৰ স্বীকৃতিয়ে কোনো এটা ভাষাক জীয়াই ৰাখিব নোৱাৰে। যদিহে ভাষাটো কওঁতা কোনো নাথাকে। এটা জাতিৰ অস্তিত্ব ৰক্ষা কৰিবলৈ হ'লে প্ৰথমেই ভাষাটো জীয়াই ৰাখিব লাগিব"। ইফালে, ভাষা গৌৰৱ সপ্তাহৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থকা ভাষা-সাহিত্যৰ সৈতে জড়িত জিলাখনৰ ভালেকেইগৰাকী বিশিষ্ট ব্যক্তিক আদৰণি জনোৱা হয়। আনহাতে, অসমীয়া লিপিৰ ক্ৰমবিকাশৰ প্ৰাৰম্ভিক কালৰে পৰা যিসকল অজ্ঞাত লিপিকাৰে বিভিন্ন শিলালেখ, বিভিন্ন শাসন আদি লিখিছিল, যিসকল জ্ঞাত-অজ্ঞাত লোকে চৰ্যাপদ, আখ্যান গীত, লোকগীত, লোকপ্ৰবাদ, লোক কথা, লোক সাহিত্য ৰচনা কৰিছিল, অসমীয়া ভাষা আৰু সাহিত্যৰ বিকাশৰ বাবে প্ৰাচীন কালৰে পৰা এতিয়ালৈ যিসকলে কাম কৰি আহিছে, সেই সকললৈ শ্ৰদ্ধা, কৃতজ্ঞতা আৰু ধন্যবাদ জনাই তথা কেন্দ্ৰীয় চৰকাৰে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰাৰ বাবে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আন্তৰিক ধন্যবাদ জনাই অনুষ্ঠানত দুটি প্ৰস্তাৱ গ্ৰহণ আৰু পাঠ কৰা হয়। অনুষ্ঠানত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দীপক ভূঞা, মাহমৰাৰ সমজিলা আয়ুক্ত পলাশ ৰাজকুমাৰ আহোম, অতিৰিক্ত জিলা আয়ুক্ত সোণতৃষ্ণা ঘৰফলীয়া, সোণাৰি পৌৰসভাৰ পৌৰপতি তিলক চন্দ্ৰ নেওগ, সোণাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ বিমল চন্দ্ৰ গগৈ, বিশিষ্ট সমাজকৰ্মী নাৰায়ণ লাহন আৰু লক্ষীনাথ তাছা প্ৰমুখ্যে জিলা প্ৰশাসন আৰু বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰী, ভাষা-সাহিত্য চৰ্চা আৰু বিকাশৰ সৈতে জড়িত ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি, বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

## ভাষা জীয়াই থাকিলেহে এটা জাতি জীয়াই থাকেঃ পংকজ চক্ৰৱৰ্তী

# তামুলপুৰত ভাষা গৌৰৱ সপ্তাহৰ উদ্বোধনী অনুষ্ঠান

**ই-সংবাদ, তামুলপুৰ, ৩ নৱেম্বৰঃ** কেন্দ্ৰীয় চৰকাৰে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়াৰ পাছত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰে ৩ৰ পৰা ৯ নৱেম্বৰলৈ অসমীয়া ভাষাৰ লগতে জনগোষ্ঠীয় ভাষাসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে "ভাষা গৌৰৱ সপ্তাহ" পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। তাৰ পৰিপ্ৰেক্ষিতত তামুলপুৰ আঞ্চলিক দুৰ্গা মন্দিৰ প্ৰেক্ষাগৃহত তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত আজি জিলা ভিত্তিত উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে আদৰণী ভাষণত কয়, "ভাষা জীয়াই থাকিলেহে এটা জাতি জীয়াই থাকে। এটা জাতি জীয়াই থাকিলেহে এখন ৰাজ্য বা দেশৰ উন্নয়ন হয় তথা সেই ৰাজ্য বা দেশ জীয়াই থাকে।" লগতে তেওঁ বিভিন্ন জনগোষ্ঠীয় ভাষাৰ প্ৰয়োজনীয়তা তথা অৱদানৰ বিষয়েও নিজৰ চমু বক্তব্যত উল্লেখ কৰে। আদৰণী ভাষণৰ পাছতেই তামুলপুৰ জিলাৰ বিভিন্ন জনগোষ্ঠীয় সাহিত্য সভাৰ বিষয়ববীয়াসকলক জিলা প্ৰশাসনে সম্বৰ্ধনা জনায়। তামুলপুৰ শাখা সাহিত্য সভা, বড়ো সাহিত্য সভা, চাওতালী সাহিত্য পৰিষদ, অসম নেপালী সাহিত্য সভা, কোচ-ৰাজবংশী সাহিত্য সভা আৰু ৰাভা সাহিত্য সভাৰ বিষয়ববীয়াসকলে সম্বৰ্ধনা গ্ৰহণ কৰে। তাৰ পাছত তামুলপুৰ শাখা সাহিত্য সভাৰ সদস্য তথা সাহিত্য অকাডেমিৰ যুৱ বঁটা বিজয়ী কবি দ্বিজেন কুমাৰ দাসে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্তৰলৈ উত্তৰণ হোৱাত যিসকল বিশেষ ব্যক্তিৰ শ্ৰম নিহিত হৈ আছে, তেওঁলোকক সোঁৱৰণ কৰাৰ উপৰি আইৰ মুখৰ ভাষাৰ তাৎপৰ্য তথা গুৰুত্ব সম্পৰ্কেও বক্তব্য ৰাখে। মুখ্য অতিথিৰ আসনৰ পৰা স্থানীয় বিধায়ক জলেন দৈমাৰীয়ে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰা সম্পৰ্কে নিজস্ব মতামত ব্যক্ত কৰাৰ উপৰি অসমৰ বাহিৰত অসমীয়াভাষী লোকক লগ পালে কেনে অনুভৱ হয়, সেই সম্পৰ্কেও নিজৰ অনুভৱ ব্যক্ত কৰে। আজিৰ সভাখনৰ সামৰণিৰ ফালে জিলা প্ৰশাসনে বঁটা প্ৰদান কৰে। পূজা সমিতিসমূহ হৈছে--- দ্বাৰকুছি বাৰোৱাৰী শ্ৰীশ্ৰীদুৰ্গাপূজা পৰিচালনা সমিতি, কাউলি শ্ৰীশ্ৰীদুৰ্গাপূজা সমিতি, নাগ্ৰীজুলি আঞ্চলিক দুৰ্গাপূজা সমিতি, গোৰেশ্বৰ আঞ্চলিক কালী মন্দিৰ দুৰ্গাপূজা সমিতি, তামুলপুৰ আঞ্চলিক দুৰ্গাপূজা সমিতি আৰু মেনকা চাহ বাগিছা দুৰ্গাপূজা পৰিচালনা সমিতি। আজিৰ সভাখনত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ উপৰি স্থানীয় বিধায়ক জলেন দৈমাৰী, আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰী, বিটিচিৰ পাৰিষদ বিজিতগৌৰা নাৰ্জাৰী, হেমন্ত কুমাৰ ৰাভাকে ধৰি ভালেসংখ্যাক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# সুৰেন দাস মহাবিদ্যালয়ত কামৰূপ জিলাৰ ভাষা গৌৰৱ সপ্তাহৰ উদ্বোধনী অনুষ্ঠান

**ই-সংবাদ, হাজো, ৩ নৱেম্বৰঃ** তীৰ্থনগৰী হাজোত ভাষা গৌৰৱ সপ্তাহৰ কামৰূপ জিলাৰ উদ্বোধনী অনুষ্ঠানটি আজি সম্পন্ন হয়। হাজো সুৰেন দাস মহাবিদ্যালয়ৰ মাধৱদেৱ ৰংগমঞ্চত অনুষ্ঠিত অনুষ্ঠানত হাজো সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যাপক বিশ্বজিৎ কলিতাই আঁত ধৰা সভাত অংশগ্ৰহণ কৰি কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী তথা ৰাজ্যৰ পৰিৱেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ভাষণ ৰাখি কয় যে আমি দিঠকে-সপোনে যি ভাষাত কথা কওঁ, সেই ভাষাটোৱে হৈছে অসমীয়া ভাষা। অসমীয়া ভাষাক জগত সভালৈ নিবলৈ হ'লে আমি সকলোৱে চেষ্টা অব্যাহত ৰাখিব লাগিব। কিন্তু আমাৰ সকলোতকৈ বিশেষকৈ অসমীয়া ভাষাৰ গৱেষক, সাহিত্যিক-লেখকসকলৰ কৰণীয় আমাতকৈ অধিক। সম্প্ৰতি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি দি অসমীয়া ভাষাক যি মৰ্যাদা প্ৰদান কৰিলে, তেনে কাৰণত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ধন্যবাদৰ পাত্ৰ। কামৰূপ জিলাৰ আয়ুক্ত দেৱকুমাৰ মিশ্ৰই আদৰণি জনোৱা সভাত নিৰ্দিষ্ট বক্তা বিশিষ্ট লেখক-সমালোচক জ্যোতি খাটনিয়াৰে ভাষণ প্ৰসংগত কয় যে আজিৰ দিনটো আমাৰ বাবে এক গৌৰৱৰ দিন। কিয়নো অসমীয়া ভাষা ধ্ৰুপদী ভাষাৰ স্বীকৃতি পোৱাৰ পৰিপ্ৰেক্ষিতত আজিৰে পৰা আমি ভাষা গৌৰৱ সপ্তাহ উদযাপনৰ প্ৰথমটো দিন পালন কৰিবলৈ লৈছো। অসমীয়া ভাষাৰ বিৱৰ্তন আৰু বিপদাৱস্থাৰ প্ৰসংগ উল্লেখ কৰি খাটনিয়াৰে পুনৰ কয় যে ক্ৰমশঃ অসমীয়া ভাষাই অনেক বিৱৰ্তন তথা বিপদাৱস্থা অতিক্ৰমী বৰ্তমানৰ স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়াৰ লগে লগে আমাৰ মাজত নতুন গৱেষণা আৰু এক আত্মমৰ্যাদাৰ বাট মুকলি হ'ল। সভাত মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে ভাষণ প্ৰসংগত আহ্বান জনাই কয় যে আমাৰ অভিভাৱকসকলে নিজৰ সন্তানক অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণৰ ব্যৱস্থা কৰিব লাগিব। অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে আমি সকলোৱে যৎপৰোনাস্তি চেষ্টা কৰিব লাগিব। আজিৰ প্ৰজন্মই অধিক সময় মাত্ৰ ম'বাইলতে ব্যস্ত হৈ থাকি সময় নষ্ট নকৰি অসমীয়া ভাষাত প্ৰকাশিত দৈনিক বাতৰি কাকত, বিভিন্ন আলোচনীৰ পৃষ্ঠাত চকু ফুৰাব লাগিব, তেতিয়াহে অসমীয়া ভাষাৰ মৰ্যাদা ক্ৰমশঃ বৃদ্ধি পাব। হাজো সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ হিৰণ্য কুমাৰ শৰ্মাই শলাগ জ্ঞাপন কৰা এই সভাতে অসমৰ জনগোষ্ঠীয় লেখক-সমালোচক ভবিন ৰাভা, খুদামা উপাধিৰে বিভূষিত দেৱেন চন্দ্ৰ দাস আৰু অৱসৰপ্ৰাপ্ত অধ্যক্ষ ভূষণ কলিতাক গামোচা, চেলেং চাদৰ, পিতলৰ শৰাই আৰু মানপত্ৰৰে বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

# কলগাছিয়াৰ আমগুৰি, সুথিৰপাথাৰত ভাং খেতি উচ্ছেদ

**ই-সংবাদ, কলগাছিয়া, ৩ নৱেম্বৰঃ** কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত আমগুৰি, সুথিৰপাথাৰ আৰু খাৰবাল্লি গাঁৱত আজি গাঁও প্ৰধান, গাঁওৰক্ষী বাহিনী আৰু ৰাইজে ভাং খেতিৰ বিৰুদ্ধে অভিযান চলায়। অভিযান কালত কেইবাটাও পৰিয়ালে নিজ গৃহত ৰোপণ কৰা অবৈধ ভাং খেতি কাটি তহিলং কৰে। উল্লেখ্য যে, আমগুৰি, সুথিৰপাথাৰ আৰু খাৰবাল্লি গাঁৱৰ একাংশ লোকৰ ঘৰে ঘৰে নিষিদ্ধ ভাং গছ ৰোপণ কৰি অবৈধ ভাঙৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছিল যদিও গোপন সূত্ৰৰ পম খেদি খাৰবাল্লী গাঁৱৰ গাঁও প্ৰধান ছাইদুল ইছলাম, গাঁওৰক্ষী বাহিনী আৰু গাঁওখনৰ ৰাইজে উক্ত ঘৰসমূহত উপস্থিত হৈ সমগ্ৰ ভাং গছ কাটি তহিলং কৰে। লগতে ভৱিষ্যতে কোনেও যাতে নিষিদ্ধ ভাং গছ ৰোপণ নকৰে তাৰ বাবে সকীয়নি প্ৰদান কৰে। স্মৰ্তব্য যে, গাঁওসমূহত এনেদৰে একাংশ লোকে ঘৰে ঘৰে ভাং খেতি কৰাত দিনে দিনে বৃদ্ধি পাবলৈ ধৰিছে চুৰি, ডকাইতিৰ দৰে অসামাজিক কাম-কাজ। সেয়ে সমগ্ৰ অঞ্চলটোত তদন্ত কৰি ভাং, মদ, জুৱা আদি অসামাজিক কাম-কাজ বন্ধ কৰিবলৈ কলগাছিয়া আৰক্ষী বাহিনীক আহ্বান জনাইছে ৰাইজে। গাঁও প্ৰধান আৰু গাঁওৰক্ষী বাহিনী আৰু ৰাইজে এইসকল অবৈধ ভাং ব্যৱসায়ীক ভৱিষ্যতে এনে অবৈধ কাৰ্যকলাপৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়।

# ছিপাঝাৰত 'ভাষা গৌৰৱ সপ্তাহ'ত নগেন্দ্ৰ শৰ্মা, ইদ্ৰিছ আলীলৈ দৰং ৰত্ন সন্মান প্ৰদান

**ই-সংবাদ, ছিপাঝাৰৰ, ৩ নৱেম্বৰঃ** বিশিষ্ট সংস্কৃতজ্ঞ পণ্ডিত প্ৰভাত শৰ্মা শাস্ত্ৰী আৰু ড০ নবীন চন্দ্ৰ শৰ্মাৰ পিছত দৰঙৰ আন দুই সু-সন্তান ড০ নগেন্দ্ৰ নাথ শৰ্মা আৰু ইদ্ৰিছ আলীক আজি দৰং জিলা সাহিত্য সভাই প্ৰদান কৰে 'দৰং ৰত্ন' সন্মান। ছিপাঝাৰ সাহিত্য সভাৰ স্মৃতি ভৱনত দৰং জিলা সাহিত্য সভাৰ সভাপতি ৰজনীকান্ত নাথৰ সভাপতিত্বত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মঙলদৈ নিবাসী, অৱসৰপ্ৰাপ্ত অধ্যাপক, শিক্ষাবিদ, পুৰাতত্ত্ববিদ, নাট্যকাৰ, সাংবাদিক তথা বিশিষ্ট সাহিত্যিক ড০ নগেন্দ্ৰ নাথ শৰ্মা আৰু আনগৰাকী মঙলদৈ নিবাসী, অৱসৰপ্ৰাপ্ত অধ্যাপক, শিক্ষাবিদ, কবি, গল্পকাৰ, গীতিকাৰ, প্ৰৱন্ধকাৰ তথা সু-সাহিত্যিক ইদ্ৰিছ আলীক এখনকৈ গামোচা, চেলেং চাদৰ, এটি জাপি, এখন সম্বৰ্ধনা পত্ৰ আৰু এটি স্মাৰকৰে প্ৰদান কৰে জিলাখনৰ এই সৰ্বোচ্চ সন্মান। উল্লেখ্য যে, দৰং জিলা সাহিত্য সভাৰ উদ্যোগত আৰু ছিপাঝাৰ সাহিত্য সভাৰ সহযোগত ইয়াৰ স্মৃতি ভৱনত আজি অনুষ্ঠিত হয় 'দৰং ৰত্ন' প্ৰদান সমাৰতৰ্নৰ লগতে অসম চৰকাৰৰ প্ৰস্তাৱিত 'ভাষা গৌৰৱ সপ্তাহ'ৰ শুভাৰম্ভণি অনুষ্ঠান। উক্ত অনুষ্ঠানত অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ অন্যতম দৰং জিলা শাখা সাহিত্য সভাৰ তৰফৰ পৰা এই দুয়োগৰাকী বৰেণ্য ব্যক্তিক 'দৰং ৰত্ন' সন্মানেৰে অলংকৃত কৰা হয়। উল্লেখ্য যে, 'দৰং ৰত্ন' প্ৰাপক ড০ নগেন্দ্ৰ নাথ শৰ্মাই মঙলদৈ মহাবিদ্যালয়ৰ পৰা ১৯৯৬ চনত ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপকৰূপে অৱসৰ গ্ৰহণ কৰে। দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ শৰ্মাই 'মুণ্ডহীন কুকুৰাৰ যুঁজ', 'হেম বৰুৱাৰ জীৱন আৰু পটভূমি', 'এনে মৃত্যু শিল্প নহয়', 'পুৰাতাত্ত্বিক গণ ইতিহাস অসম', 'তুমি অসমাপ্ত অনামিকা' শীৰ্ষক গ্ৰন্থকেইখন লিখি উলিয়াই অসমীয়া ভাষা সাহিত্যৰ ভঁড়াল চহকী কৰিছে। আনহাতে, আনগৰাকী 'দৰং ৰত্ন' সন্মানেৰে বিভূষিত তথা অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি ইদ্ৰিছ আলীয়ে ২০০১ চনত মঙলদৈ মহাবিদ্যালয় পৰাই অসমীয়া বিভাগৰ অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰে। গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ পৰা ১৯৬৫ চনতে এগৰাকী গীতিকাৰৰূপে স্বীকৃতি লাভ কৰা ইদ্ৰিছ আলীয়েও 'মোৰ গাঁৱৰ সাধু', 'বুঢ়া আঁহতৰ হাঁহি', 'আগ চোতালৰ মেল', 'নিৰিবিলি', 'সুৰমিতা', 'কিশোৰ জ্যোতিপ্ৰসাদ', 'সুখৰ দুখৰ আৰু প্ৰেমৰ' নামৰ গ্ৰন্থ কেইখন প্ৰণয়ন কৰি পাঠক সমাজৰ পৰা লাভ কৰে বিপুল সমাদৰ। ইতিমধ্যে 'অসম গৌৰৱ' বঁটাৰে বিভূষিত ইদ্ৰিছ আলীয়ে অসম চৰকাৰৰ 'সাহিত্যিক পেঞ্চন', 'কলংপাৰ বঁটা', 'গীতিকবি পাৰ্বতী প্ৰসাদ বৰুৱা বঁটা' আৰু 'এনাজৰী বঁটা' আদিও লাভ কৰিছে। অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড০ সূৰ্য কুমাৰ হাজৰিকা, ধন ভঁৰালী মিহিৰ বৰুৱা, ছিপাঝাৰৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশী, দৰং জিলাৰ আয়ুক্ত পৰাগ কুমাৰ কাকতিকে ধৰি বহু বিশিষ্ট লোক উপস্থিত থাকে।

# জয়ৰ ধাৰা ভংগ, পৰাজিত মানচেষ্টাৰ

**লণ্ডন, ৩ নৱেম্বৰঃ** ইউৰোপীয়ান প্ৰিমিয়াৰ লীগত অৱশেষত ভংগ হ'ল মানচেষ্টাৰ চিটিৰ জয়ৰ ধাৰা। ৩২খনকৈ মেচত অপৰাজিত হৈ থকাৰ অন্তত শনিবাৰে ইপিএলত বৰ্নমাউথৰ হাতত ২-১ ব্যৱধানত পৰাস্ত হয় দলটো। ইয়াৰ পূৰ্বে লীগ কাপৰ এখন মেচতো টটেনহামৰ হাতত পৰাস্ত হৈছিল পেপ গুৱাৰ্ডিওলাৰ দলটো। উল্লেখ্য যে ২০২৩ চনৰ ৬ ডিচেম্বৰৰ পৰা শনিবাৰ পৰ্যন্ত ইপিএলত এখনো মেচত পৰাস্ত হোৱা নাছিল মানচেষ্টাৰ চিটি। বৰ্নমাউথৰ হৈ এণ্টনি ছিমিনিঅ'ই ৯ মিনিটত প্ৰথমটো গ'ল স্ক'ৰ কৰে। ইয়াৰ পিছত ৬৪ মিনিটত দ্বিতীয়টো গ'ল স্ক'ৰ কৰে ইভানিলছনে। খেলখনৰ ৮২ মিনিটত মানচেষ্টাৰৰ হৈ ৮২ মিনিটত জস্কো গাৰডিঅ'লে ১টা গ'ল স্ক'ৰ কৰি ব্যৱধান হ্ৰাস কৰে।

# জেবিএফচি দলৰ খিতাপ অৰ্জন



**ই-সংবাদ, বাইহাটা চাৰিআলি, ৩ নৱেম্বৰঃ** মান্দাকাটাৰ বাকাত 'মুনলাইট য়ুথ ক্লাব'ৰ উদ্যোগত শুকুৰবাৰৰপৰা আৰম্ভ হোৱা তিনিদিনীয়া প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাত জেবিএফচি দলে চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। নিৰ্দিষ্ট সময়ত গ'লশূন্যভাৱে সমাপ্ত হোৱা আজিৰ চূড়ান্ত খেলত জেবিএফচিয়ে মাণিকনগৰ এফচিক টাইব্ৰেকাৰৰ সহায়ত পৰাস্ত কৰি এই খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাখনিত বিজয়ী জেবি দলক নগদ ২০ হাজাৰ টকা আৰু ট্ৰফী প্ৰদান কৰা হয়। আনহাতে ৰানাৰ্চ আপ মানিকনগৰ দলক নগদ ১২ হাজাৰ টকা আৰু ট্ৰফী প্ৰদান কৰা হয়। প্ৰতিযোগিতাৰ চূড়ান্ত খেলৰ বঁটা বিতৰণ কৰে অসমৰ মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। চূড়ান্ত খেলৰ অন্তত অনুষ্ঠিত বঁটা বিতৰণী অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।




ভাৰতৰ মাটিত ভাৰতক হোৱাইটৱাশ্ব কৰি টেষ্ট শৃংখলা দখল নিউজিলেণ্ডৰ, দেওবাৰে মুম্বাইত ট্ৰফী গ্ৰহণৰ সময়ৰ দৃশ্য

## ২৪ বছৰৰ অন্তত ঘৰুৱা মাটিত শৃংখলা হেৰুৱালে ভাৰতে

# ভাৰতক হোৱাইটৱাশ্ব কৰি টেষ্ট শৃংখলা দখল নিউজিলেণ্ডৰ

**মুম্বাই, ৩ নৱেম্বৰঃ** প্ৰথম দুখনৰ দৰে তৃতীয় টেষ্টটো লজ্জাজনকভাৱে পৰাস্ত ধৈৰ্যহীন ভাৰত। দেওবাৰে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত নিউজিলেণ্ডৰ বিৰুদ্ধে চলি থকা টেষ্ট শৃংখলাৰ অন্তিমখন মেচত ২৫ ৰানত পৰাস্ত হয় ভাৰতীয় দলটো। ২০০০ চনত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে টেষ্ট শৃংখলাৰ দুয়োখন মেচতে পৰাস্ত হৈছিল ভাৰত। সুদীৰ্ঘ ২৪ বছৰৰ অন্তত পুনৰ ঘৰৰ মাটিত শৃংখলাৰ আটাইকেইখন মেচতে পৰাস্ত হয় ৰোহিত বাহিনী। ভাৰতৰ সমুখত মাত্ৰ ১৪৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছিল ভ্ৰমণৰত দলটোৱে। তেনেই সামান্য বিজয় লক্ষ্য অতিক্ৰম কৰিবলৈ গৈয়ো মেচখনৰ আজি তৃতীয় দিনা এটাৰ পিছত এটাকৈ উইকেট হেৰুৱাই ভাৰতে। ঋষভ পণ্টে এটা মূৰত ইনিংছ ধৰি ৰাখিবলৈ কিঞ্চিত চেষ্টা চলোৱাৰ বাদে প্ৰায়কেইজন বেটাৰেই শোচনীয়ভাৱে ব্যৰ্থ হয়। পণ্টেও ৬৪ ৰানত পেভিলিয়নমুখী হোৱাত ভাৰতৰ জয়ৰ আশা নিৰ্বাপিত হৈ পৰে আৰু ৫ দিনীয়া টেষ্টখন মাত্ৰ আঢ়ৈ দিনতে সমাপ্ত হয়। টি-২- বিশ্বকাপ জয়ৰ পিছত বাংলাদেশকো টেষ্ট শৃংখলাত পৰাভূত কৰি আত্মবিশ্বাসী হৈ থকা ভাৰতীয় দলটোৱে নিজৰ দ্বিতীয় ইনিংছত মাত্ৰ ১২১ ৰানতে অলআউট হয়। কিৱি বাহিনীৰ স্পিন আক্ৰমণত দিশহাৰা হৈ পৰে ৰোহিত, বিৰাট কোহলিৰ দৰে দিগগজ বেটাৰসকল। নিউজিলেণ্ডৰ হৈ ভাৰতীয় মূলৰ আজাজ পেটেলে প্ৰথম ইনিংছত ৫টা উইকেট দখলৰ কৰাৰ পিছত দ্বিতীয় ইনিংছত আজুৰি লয় আৰু ৬টা উইকেট। মাত্ৰ ৫৭ ৰানৰ বিনিময়ত দ্বিতীয় ইনিংছত পেটেলে লাভ কৰে ৬ উইকেট। গ্লেন ফিলিপছে ৩টা আৰু মেট হেনৰীয়ে ১টা উইকেট লাভ কৰে। উল্লেখ্য যে প্ৰথম ইনিংছত নিউজিলেণ্ড ২৩৫ আৰু ভাৰতে ২৬৩ ৰান স্ক'ৰ কৰিছিল। দ্বিতীয় ইংনিছত আটাইকেইটা উইকেট হেৰুৱাই আলহী দলটোৱে সংগ্ৰহ কৰিছিল ১৭৪ ৰান। আজিৰ এই জয়েৰে ভাৰতক হোৱাইটৱাশ্ব কৰি ৩খন মেচৰ টেষ্ট শৃংখলাটো ৩-০ ব্যৱধানত হস্তগত কৰে নিউজিলেণ্ডে। প্লেয়াৰ অৱ দ্য মেচৰ সন্মান লাভ কৰে বলিঙেৰে দলৰ জয়ত মুখ্য ভূমিকা পালন কৰা আজিজ পেটেলে আৰু শৃংখলাটোৰ শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হয় উইল ইয়ং।

# শোণিতপুৰ জিলা কাৰাটে দল ঘোষণা

**ই-সংবাদ, তেজপুৰ, ৩ নৱেম্বৰঃ** শিৱসাগৰত অহা ৯ আৰু ১০ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক পৰ্যায়ৰ কাৰাটে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া শোণিতপুৰ জিলা দলটোৰ খেলুৱৈসকলক আজি নিৰ্বাচিত কৰা হয়। শোণিতপুৰ জিলা ভিত্তিত অনুষ্ঠিত কাৰাটে প্ৰশিক্ষণৰ অন্তত মুঠ ৬০ গৰাকী খেলুৱৈক নিৰ্বাচন কৰা হয়। এই প্ৰশিক্ষণ কাৰ্যসূচী জুজিটু এছ'চিয়েশ্যন অৱ শোণিতপুৰৰ সৌজন্যত অনুষ্ঠিত কৰা হৈছিল। খেলুৱৈৰ নিৰ্বাচন সম্পন্ন হোৱাৰ পিছত নিৰ্বাচিত খেলুৱৈসকলক প্ৰশিক্ষক প্ৰাচুৰ্য গগৈ, ৰূপম শইকীয়া, হীৰকজ্যোতি পটংগীয়াই পৰামৰ্শ আগবঢ়ায়।

# ৰাণী কোচিঙক হৰুৱাই বাৰছুৰ চেম্পিয়ন

**ই-সংবাদ, মিৰ্জা, ৩ নৱেম্বৰঃ** পলাশবাৰী সমষ্টিৰ অন্তৰ্গত তিনিআলি আঞ্চলিক যুৱ সমাজৰ উদ্যোগত দক্ষিণ কামৰূপ বিদ্যাপীঠ হাইস্কুল খেলপথাৰত অনুষ্ঠিত খগেন মহন্ত আৰু কৰুণা দাস সোঁৱৰণী আমন্ত্ৰণমূলক প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ আজিৰ চূড়ান্ত খেলত বাৰছুৰ ফুটবল দলে আৰু ৰাণী কোচিং চেন্টাৰক ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰি বিজয়ী হয়। আজিৰ এই খেলখনি মুকলি কৰে বিশিষ্ট ব্যক্তি ডঃ ছাংৱাং ব্ৰহ্মই। মুকলি অনুষ্ঠানত উপস্থিত থাকে হিমাংশু শেখৰ বৈশ্য, মুখ্য অতিথি হিচাপে কণ্ঠশিল্পী সীমান্ত শেখৰকে ধৰি যুৱ সমাজৰ প্ৰাক্তন সভাপতি নৰেশ্বৰ দাস, দক্ষিণ কামৰূপ ৰেফাৰী সন্থাৰ সভাপতি নাৰায়ণ চৌধুৰী, মঃ চিৰাজ আলী উপস্থিত থাকে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি